সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ,২২ সংখ্যা, ১৬ জেঠ, ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 22 Date of Publication- 31 May 2026 Rs. 10.00/-

## পুনৰ ১৬ কৰ্মচাৰীক বিধানসভাৰ পৰা বৰ্খাস্ত



ৰঙিলী বাৰ্ত্তাসেৱা- অসম বিধানসভাক সম্পূৰ্ণ দুৰ্নীতিমুক্ত কৰিবলৈ অব্যাহত আছে নবনিৰ্বাচিত অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ দুৰ্নীতি বিৰোধী এক্সন। অবৈধ তথা অনিয়মেৰে বিধানসভা সচিবালয়ত চলা নিযুক্তিৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰা অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে সচিব দুলাল পেগুৰ লগতে ১৫ গৰাকী বিষয়া-কৰ্মচাৰীক অব্যাহতি দিয়াৰ পিছত শনিবাৰে পুনৰ আন ১৬গৰাকী কৰ্মচাৰীক অব্যাহতি দিছে। শনিবাৰৰ দিনটোত অব্যাহতি দিয়া কৰ্মচাৰীসকল ক্ৰমে- বৰ্ণালী শৰ্মা, বিদিশা কলিতা, ক্ষিৰোদ পেগু, কৃষাংগী বৰুৱা, হীৰক বৰ্মন, সূৰ্য বড়ো, অন্তৰীপ মহন্ত, কমল ৰাভা, চাক বড়ো, নুৰজাহান বেগম, ধীৰাজ দলে, শংকু দাস, চক্ৰধৰ ব্ৰহ্ম, ডেভিদ বড়ো, এডবাৰ্ড বাগলাৰী আৰু সুশান্ত মধুকল্য। বিগত সময়ছোৱাত ( দুই পৃষ্ঠাত চাওক)

## নতুন দিল্লীত ৯ জন সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- পাকিস্তানী চোৰাংচোৱা সংস্থা আইএছআই আৰু আণ্ডাৰ ৱৰ্ল্ডৰ এক বৃহৎ ষড়যন্ত্ৰক ব্যৰ্থ কৰিলে দিল্লী আৰক্ষীৰ বিশেষ গোটে। দিল্লী আৰু মুম্বাই মহানগৰীক লক্ষ্য কৰি ভয়ংকৰ আক্ৰমণৰ পৰিকল্পনা কৰা ৯জন সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। তদুপৰি ইয়াৰ সৈতে জড়িত থকাৰ সন্দেহত কেইবাজনো লোকক আটক কৰি সোধা-পোছা অব্যাহত ৰখা হৈছে। তদন্তকাৰী সংস্থাটোৱে দাবী কৰিছে যে ধৃত লোকসকলে দিল্লীৰ গুৰুত্বপূৰ্ণ স্থান, নিৰাপত্তা বাহিনীৰ সদস্য আৰু ধৰ্মীয় স্থানক লক্ষ্য কৰি বৃহৎ কূটাঘাতৰ পৰিকল্পনা কৰিছিল। সূত্ৰ অনুসৰি, এই সন্ত্ৰাসবাদী দলটোৱে দীৰ্ঘদিন ধৰি গোপনে সক্ৰিয় হৈ আছিল আৰু চোৰাংচোৱা সংস্থাসমূহে তেওঁলোকৰ কাৰ্যকলাপ নিৰীক্ষণ কৰি আছিল। গোপন সূত্ৰৰ পৰা তথ্য লাভ কৰাৰ পিছত দিল্লী আৰক্ষীৰ বিশেষ কোষে একাধিক স্থানত অভিযান চলায়। উক্ত অভিযানৰ (দহ পৃষ্ঠাত চাওক)

## মমতাৰ উত্তৰাধিকাৰী অভিষেকক গেলা কণী-জোতা নিক্ষেপ ৰাইজৰ



ৰঙিলী বাৰ্ত্তাসেৱা- নিৰ্বাচন শেষ হ'ল যদিও পশ্চিমবংগত হিংসাত্মক পৰিস্থিতি শেষ হোৱা নাই। এইবাৰ ৰাইজৰ ৰোষত পৰিল টিএমচিৰ সাধাৰণ সম্পাদক তথা সাংসদ অভিষেক বেনাৰ্জী। নিৰ্বাচনী হিংসাত আক্ৰান্ত পৰিয়ালক সমবেদনা জনাবলৈ গৈ ভয়ংকৰ আক্ৰমণৰ বলি হয় তৃণমূল কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা সাংসদ অভিষেক বেনাৰ্জী। দক্ষিণ ২৪ পৰগনাৰ সোণাপুৰত সংঘটিত হয় এই ঘটনা। চাৰিচকীয়া ( তিনিপৃষ্ঠাত চাওক)

## দিল্লীৰ তাপমাত্ৰাই পাৰ কৰিব ৬০ ডিগ্ৰী চেলছিয়াছ



ৰঙিলী বাৰ্ত্তাসেৱা- ভয়ংকৰ গৰমে দহিছে দেশৰ ৰাজধানী দিল্লী। চেণ্টাৰ ফৰ ছায়েঞ্চ এণ্ড এনভাইৰনমেণ্ট (চিএছই) সংস্থাটোৱে প্ৰকাশ কৰা এক চাঞ্চল্যকৰ মানচিত্ৰই উদঙাই দিছে এক ভয়াবহ বাস্তৱ। এই মানচিত্ৰ অনুসৰি গ্ৰীষ্মৰ চৰম পৰ্যায় দিল্লীৰ কেতবোৰ অঞ্চলৰ ভূ-পৃষ্ঠৰ তাপমাত্ৰা ৬০ ডিগ্ৰী চেলছিয়াছ পৰ্যন্ত স্পৰ্শ কৰিব। তাতোকৈ ডাঙৰ কথাটো হ'ল এই প্ৰচণ্ড উত্তাপৰ বাবে দৰিদ্ৰ আৰু প্ৰান্তীয় অঞ্চলসমূহত এক অসহ্য তাপপ্ৰবাহৰ প্ৰৱণতাত পৰাৰ আশংকা ঘনীভূত হৈছে। চিএছইৰ এই মানচিত্ৰত বিভিন্ন অঞ্চলৰ তাপমাত্ৰাক বুজাবলৈ বিশেষ ৰং-সংকেত ব্যৱহাৰ কৰা হৈছে। গাঢ় ৰঙা আৰু গাঢ় কমলা ৰঙৰ অঞ্চলসমূহে চহৰখনৰ আটাইতকৈ উত্তপ্ত অঞ্চলক সূচাইছে, য'ত তাপমাত্ৰা ( দুই পৃষ্ঠাত চাওক)

## নতুন দিল্লীত প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ইতিহাস সৃষ্টি কৰি বিজেপি মিত্ৰজোটে তৃতীয়বাৰৰ ঐতিহাসিক বিজয় সাব্যস্ত কৰি চৰকাৰ গঠনৰ পিছত প্ৰথমবাৰ নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। শনিবাৰে নতুন দিল্লীৰ ৭ লোককল্যাণ মাৰ্গস্থিত প্ৰধানমন্ত্ৰী মোদীৰ চৰকাৰী বাসভৱনত তেওঁক সৌজন্যমূলক সাক্ষাৎ কৰে। দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত প্ৰধানমন্ত্ৰীৰ সৈতে হোৱা এইটোৱেই ( দুই পৃষ্ঠাত চাওক)

## আজি আহমেদাবাদত আইপিএলৰ ফাইনেল





ৰঙিলী বাৰ্ত্তাসেৱা- দুমাহজোৰা প্ৰতীক্ষাৰ অন্ত। আজি আই পি এলৰ ফাইনেল। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ ঐশ্বৰ্যশালী টি-২০ ক্ৰিকেট লীগ আইপিএলৰ বহু প্ৰতীক্ষিত ফাইনেল মেচখন আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত সন্ধিয়া ৭.৩০ বজাত অনুষ্ঠিত হ'ব। বিগত ২৮ মাৰ্চৰ পৰা দেশৰ ১৩টা ভেন্যুত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ আজি হ'বলগীয়া খিতাপ যুঁজৰ মেচখনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব ডিফেণ্ডিং চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু গুজৰাট টাইটানছে। ইতিমধ্যে দুয়োটা দলে এবাৰকৈ লাভ কৰিছে আই পি এলৰ খিতাপ। আজি দুয়ো দলৰ সন্মুখত পুনৰ খিতাপ দখলৰ সুৱৰ্ণ সুযোগ। অৱশ্যে খিতাপ জয়ৰ বাবে দুয়োটা দলে প্ৰবল দাবীদাৰ যদিও মেচখনত আৰচিবিক ফেভাৰিট হিচাপে আখ্যা দিয়া হৈছে। প্ৰতিযোগিতাখনৰ প্ৰথমখন কোৱালিফায়াৰত শুভমন গিল নেতৃত্বাধীন গুজৰাটক পৰাস্ত কৰি আত্মবিশ্বাস তুংগত (দহ পৃষ্ঠাত চাওক)

# এছিয়ান গেমছৰ ভাৰতীয় সম্ভাব্য দলত বৈভৱ



ৰঙিলী বাৰ্ত্তাসেৱা- ১৯ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ’ব এছিয়ান গেমছ। বিগত এছিয়ান গেমছৰ স্বৰ্ণপদক জয়ী ভাৰতে এইবাৰো শ্ৰেষ্ঠত্ব অৰ্জন কৰাৰ বাবে সাজু হৈছে। ইতিমধ্যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব’ৰ্ডে এছিয়ান গেমছৰ বাবে সম্ভাব্য ৩০জনীয়া দল এটা অলিম্পিক এছ’চিয়েচনক অৰ্পণ কৰিছে। এই সম্ভাব্য দলটোত ১৫ বছৰীয়া বৈভৱ সূৰ্যবংশীকো অন্তৰ্ভুক্ত কৰিছে ব’ৰ্ডে। মন কৰিবলগীয়া যে এছিয়ান গেমছৰ ( তিনিপৃষ্ঠাত চাওক)

# ডিব্ৰুগড় জিলাত বেটি বচাও বেটি পঢ়াও আঁচনি



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় জিলাত বেটি বচাও বেটি পঢ়াও আঁচনিঃ ঋতুস্ৰাৱৰ পৰিস্কাৰ-পৰিচ্ছন্নতা আৰু ব্যৱস্থাপনা দিৱসৰ লগত সংগতি ৰাখি ২৯ মে’ আৰু ৩০ মে’ তাৰিখে ডিব্ৰুগড় জিলাৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ জিলা মহিলা সৱলীকৰণ কেন্দ্ৰৰ উদ্যোগত তথা স্বাস্থ্য বিভাগ, শিক্ষা বিভাগ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ (অসম গ্ৰামীণ জীৱিকা অভিযান) আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ প্ৰাতঃকালীন প্ৰাৰ্থনা সভাত কিশোৰী সকলৰ মাজত মাহেকীয়া ঋতুস্ৰাৱৰ ওপৰত সজাগতা আনিবলৈ চেষ্টা কৰা হয়। ( তিনিপৃষ্ঠাত চাওক)

# পুনৰ ১৬ কৰ্মচাৰীকবিধানসভাৰ

অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে এই সকল কৰ্মচাৰীক নিয়মবহিৰ্ভুতভাৱে ঠিকাভিত্তিত নিযুক্তি দিছিল। শনিবাৰে ১৬ গৰাকী কৰ্মচাৰীক তৎকালে কাৰ্যকৰী হোৱাকৈ অব্যাহতি দিয়ে অধ্যক্ষই। ইফালে শুকুৰবাৰে অব্যাহতি লাভ কৰা ১২ বিষয়া-কৰ্মচাৰীৰ ভিতৰত আছিল- ৰঞ্জিত কুমাৰ শৰ্মা, পংকজ কুমাৰ শৰ্মা, ধনজিৎ তালুকদাৰ, তাৰিণী কান্ত স্বৰ্গীয়াৰী, শেৱালি দেৱী, কবিৰাম হালৈ, কুলৰ কামান, সমীৰ দাস, মাধৱ তালুকদাৰ, ভবেন পেগু, বিশ্বজিৎ সোম আৰু দিলীৰাম শৰ্মা। উল্লেখ্য যে অৱসৰৰ পিছত এই আটাইকেইজন বিষয়া-কৰ্মচাৰীৰ পূৰ্বৰ বিধানসভাৰ অধ্যক্ষই চাকৰিত মকবলৰ অনুমোদন জনাইছিল। অৱসৰৰ পিছতো এনেদৰে যোৱা দুই-তিনি বছৰ ধৰি চাকৰিত মকৰল হৈ থকা এইসকল বিষয়া-কৰ্মচাৰীৰ বাবে পদোন্নতি বন্ধ হৈ পৰিছিল আন কেইবাজনো বিষয়া-কৰ্মচাৰীৰ। উল্লেখ্য যে ষষ্ঠদশ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ শেষৰ দিনটোতে সচিব দুলাল পেগুক অব্যাহতি দিয়াৰ পিছতেই কাৰ্যতঃ বিধানসভাৰ অনিয়ম পৰিষ্কাৰ কৰাত নামি পৰিছিল অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস। এই অনুসৰি শনিবাৰে পুনৰ অৱসৰ গ্ৰহণৰ পিছত চাকৰিত কাৰ্যকাল চলাই থকা ১৬ জন বিষয়া-কৰ্মচাৰীক অব্যাহিত দিয়ে। উল্লেখ্য যে পূৰ্বৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু তেওঁৰ অ’এছডি সৌমেন বৰুৱাৰ লগতে প্ৰাক্তন সচিব দুলাল পেগুৱে বিভিন্ন সময়ত একাংশ যুৱক-যুৱতীক কোনোধৰণৰ বিজ্ঞাপন নোহোৱাকৈ নিযুক্তি দিছিল। ঠিকাভিত্তিকভাৱে জধে-মধে নিযুক্তি দিয়াৰ ফলত বিধানসভাত এইসকল কৰ্মচাৰীক লৈ সৃষ্টি হৈছিল চৰম বিশৃংখলতা। অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰিয়ে সচিবালয়ৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াৰ লগতে বিত্তীয় শৃংখলতা অনাৰ লক্ষ্যৰে অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে শেহতীয়াকৈ গ্ৰহণ কৰিছে এলানি কঠোৰ পদক্ষেপ।

# নতুন দিল্লীত প্ৰধানমন্ত্ৰী মোদীক

আছিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰথম আনুষ্ঠানিক বৈঠক। নিজৰ দ্বিতীয়টো কাৰ্যকাল কেনেদৰে আগবঢ়াই নিয়াৰ পৰিকল্পনা তেওঁ কৰিছে সেই কথা মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰধানমন্ত্ৰী মোদীৰ ওচৰত দাঙি ধৰে। অসমৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা নিৰৱচ্ছিন্ন সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰধানমন্ত্ৰী মোদীক ধন্যবাদজ্ঞাপনৰ উপৰি অনাগত দিনত তেওঁৰ মাৰ্গদৰ্শন আৰু আশীৰ্বাদ কামনা কৰে। সামাজিক মাধ্যমযোগে এই কথা সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয়, “আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে সাক্ষাতৰ সৌভাগ্য লাভ কৰিলোঁ । অসমত এনডিএ ৩.০ চৰকাৰৰ শুভাৰম্ভণিৰে উন্নয়নৰ নতুন গতিৰ বিষয়ে পোনপটীয়াকৈ তেখেতক অৱগত কৰিবলৈ পাই সুখী হৈছোঁ। লগতে ৰাজ্যবাসীৰ হৈ তেখেতৰ নিৰন্তৰ সমৰ্থন আৰু সহযোগিতাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি অনাগত বছৰসমূহতো তেখেতৰ আশীৰ্বাদ আৰু দিক-নিৰ্দেশনা কামনাৰ কথাও প্ৰকাশ কৰোঁ।” অসম চৰকাৰে শাসন ব্যৱস্থা, আন্তঃগাঁথনি উন্নয়ন, কল্যাণমূলক কাৰ্যসূচী আৰু অৰ্থনৈতিক বিকাশৰ ওপৰত নৱীকৃত মনোযোগেৰে নতুন কাৰ্যকাল আৰম্ভ কৰাৰ সময়তে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ কৰাৰ প্ৰসংগই বিশেষ তাৎপৰ্য বহন কৰিছে । ইফালে চৰ্চা অনুসৰি মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ বিষয়টো প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰাৰ পাছতে চূড়ান্ত হ’ব বুলি ধাৰণা কৰা হৈছে । আনহাতে শনিবাৰে বিয়লি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় ৰে’লমন্ত্ৰী অশ্বিনী বৈষ্ণৱকো সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে ১, ৩০০ কিল’মিটাৰতকৈ অধিক ৰে’লপথ সম্প্ৰসাৰণ তথা ৫০টাৰো অধিক অমৃত ষ্টেচনৰ উন্নয়নমূলক কাৰ্যসূচীকে ধৰি অসমৰ সামগ্ৰিক ৰে’ল নেটৱৰ্ক আৰু ৰে’ল আন্তঃগাঁথনিৰ বিভিন্ন দিশকলৈ আলোচনাত মিলিত হয় । এইক্ষেত্ৰত দলৰ ৰাষ্ট্ৰীয় সভাপতিকে ধৰি দলীয় আন শীৰ্ষ নেতাকো মুখ্যমন্ত্ৰীয়ে সাক্ষাৎ কৰিব পাৰে বুলি জানিব পৰা গৈছে। নিৰ্ধাৰিত ভ্ৰমণসূচী অনুসৰি ৪ জুনত মুখ্যমন্ত্ৰীয়ে অসমলৈ উভতি অহাৰ কথা।

সম্পাদকীয় শিতান.. দেৱাশীষ গোস্বামী, নগাঁও

# কি খবৰ বিবেক ?



বিবেক, হেই বিবেক, কি খবৰ?আৰে, ইমান ধুনীয়াকৈ মতাৰ পিছতো মাতিব নিবিচৰা বিবেকৰ কিহৰ ইমান অহংকাৰ?কিহৰ বাবে ‘God Father Type Behaviour?’ বিবেকৰ ‘Body Language’ দেখি স্বতঃস্ফুৰ্ত ভাবে মুখৰ পৰা ওলাই গ’ল-চোৰা বিবেক, তোমাৰ এই ক্ষমতা, টকা পইচা সকলো ক্ষন্তেকীয়া, আজি আছে, কালিলৈ নাই। আচল মানবীয় গুণখিনি জলাঞ্জলী দি ক্ষমতাৰ খকত, ধন ঐশ্বৰ্য্যৰ লোভত নিজকে বাৰু তুমি কেনেকৈ বিক্ৰী কৰিব পাৰা? কি ভুল, কি শুদ্ধ তুমিতো ভালকৈ জানা, ভালকৈয়ে বুজি পোৱা, তথাপিও বাৰু তুমি কিয় বিক্ৰী হৈ যোৱা? সংস্কাৰ, শিক্ষা এইবোৰৰ গুৰুত্ব তোমাৰ ওচৰত একোৰেই নাই? মা-দেউতা, আপোন ঘৰখন, শিক্ষা গুৰু সকলে দিয়া সংস্কাৰ, শিক্ষা তোমাৰ কাৰণে তেনেই মূল্যহীন নেকি বিবেক? যুৱ চামৰ প্ৰতি এইয়াই নেকি দায়িত্ব তোমাৰ? ‘আদাক দেখি উঠিল গা, কেতুৰীয়ে বোলে মোকো খা’, কিয় তেনেকুৱা চৰিত্ৰ তোমাৰ? নিজস্বতা কিয় হেৰুৱাই পেলাইছা বিবেক? তুমিয়েই এজন মানুহৰ ‘Controling Authority’। তোমাৰ ‘Power’অৰ Misuse কৰি সম্পূৰ্ণ মানব জাতিক লজ্জানত কৰিবলৈ অকণো লাজ নালাগে তোমাৰ বিবেক? তুমি মানুহক Control কৰাৰ বিপৰীতে আজি কালি মানুহে তোমাক কিনে, তোমাক ‘Control’ কৰে, মানুহৰ হাতৰ পুতলা হৈ তুমি উঠা বহা কৰাতোৰে এটা ভয়াবহ ভবিষ্যতৰ ইংগিত বহন নকৰেনে বাৰু? ছিঃ ইমান যে লেতেৰা চৰিত্ৰৰ প্ৰতিফলন তোমাৰ মাজত আজি বিবেক। প্ৰায়চিত্তই সুদূৰ পৰাহলৈ গতি কৰাৰ আগতেই নিজকে সংশোধন কৰা বিবেক। নিকৃষ্ট কৰ্মৰাজীৰে কিমান আৰু নিজকে লোকচক্ষুত হেয় প্ৰতিপন্ন কৰা? কিয় তোমাৰ Decision Making Capacity ইমান Weak হৈ গৈছে যে মানুহৰ ঠাইত অমানুহৰ পয়োভৰ ঘটিছে?

নিজৰ প্ৰকৃত সত্য অনুধাৱন কৰি তলমুৰেৰে বিবেক নিৰ্বাক, নিৰৱ, নিস্তব্ধ।

# দিল্লীৰ তাপমাত্ৰাই পাৰ

৫৩ ডিগ্ৰী চেলছিয়াছৰ পৰা ৬০ ডিগ্ৰী চেলছিয়াছৰ ভিতৰত থাকিব। উপগ্ৰহীয় তথ্য বিশ্লেষণ কৰি দেখা গৈছে যে অপৰিকল্পিত আৰু দ্ৰুত নগৰীকৰণৰ বাবে দিল্লীৰ ৭৬ শতাংশ ভৌগোলিক অঞ্চল এতিয়া ধাৰাবাহিকভাৱে তীব্ৰ উত্তাপৰ বা অসহ্য গৰমৰ কবলত পৰিছে। প্ৰতিবেদন অনুসৰি ২০২৪ৰ মে’ মাহত দিল্লীৰ সামগ্ৰিক গড় ভূ-পৃষ্ঠৰ তাপমাত্ৰা আছিল ৪৮.৪৬ ডিগ্ৰী চেলছিয়াছ আৰু চহৰখনৰ প্ৰায় দুই-তৃতীয়াংশ পৌৰ ৱাৰ্ডতে তাপমাত্ৰা আছিল ৪৫ ডিগ্ৰী চেলছিয়াছতকৈ অধিক। আটাইতকৈ ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হৈছে দিল্লীৰ বহিঃঅঞ্চলৰ পৰা প্ৰান্তীয় অঞ্চলসমূহত। কেইবা দশক ধৰি কংক্ৰিটৰ ঘনত্ব বৃদ্ধিৰ ফলত উত্তৰ-পশ্চিম, দক্ষিণ-পশ্চিম আৰু পূব দিল্লীৰ এক বৃহৎ এলেকা গৰমৰ প্ৰতি অত্যন্ত সংবেদনশীল হৈ পৰিছে। ইয়াৰ বিপৰীতে গছেৰে আবৃত চেণ্ট্ৰেল দিল্লী যথেষ্ট শীতল হৈ আছে। বিশেষজ্ঞ সকলৰ মতে, দিল্লীৰ এই ভয়ংকৰ গৰমৰ বাবে কেৱল প্ৰাকৃতিক জলবায়ু পৰিৱৰ্তন দায়ী নহয়, বৰঞ্চ মানৱসৃষ্ট কাৰ্যকলাপেই ইয়াৰ মূল কাৰণ। দশক দশক ধৰি চহৰখনত চলোৱা নিৰ্মাণকাৰ্যই মাটি আৰু গছ-গছনি ধ্বংস কৰি সমগ্ৰ অঞ্চলটো কংক্ৰিটেৰে ঢাকি পেলোৱা হৈছে। এই কংক্ৰিটৰ গাঁথনিবোৰে দিনৰ ভাগত সূৰ্যৰ তাপ ধৰি ৰাখে আৰু ৰাতিৰ ভাগত এৰি দিয়াত ৰাতিও বৃদ্ধি পায় গৰমৰ মাত্ৰা। তদুপৰি ঔদ্যোগিক কাৰ্যকলাপ আৰু লাখ লাখ এয়াৰ কণ্ডিচনাৰৰ পৰা ওলোৱা গৰম বতাহে এই পৰিস্থিতি অধিক জটিল কৰি তুলিছে। প্ৰচণ্ড গৰমৰ বাবে আটাইতকৈ বেছিপ্ৰভাৱিত হৈছে আৰ্থিকভাৱে পিছপৰা শ্ৰেণী। নিৰ্মাণ শ্ৰমিক, পদপথৰ ব্যৱসায়ী, কুৰিয়াৰ সেৱাৰ সৈতে জড়িত লোক, অনাময় কৰ্মী, দিনহাজিৰা কৰা লোকসকল, মুকলি আকাশৰ তলত কাম কৰিবলগীয়া হোৱাত তেওঁলোকৰ জীৱন দুৰ্বিষহ হৈ পৰিছে।

# অসম বিধানসভাত কৰ্মৰত ১২ বিষয়া কৰ্মচাৰীক অব্যাহতি



ৰঙিলী বাৰ্তাসেৱা- অসম বিধানসভাৰ অধ্যক্ষ হিচাপে দ্বিতীয়বাৰৰ বাবে দায়িত্ব লোৱাৰ পাছত প্ৰথমখন অধিৱেশনৰ পাছতে কঠোৰ হৈছে ৰণজিৎ কুমাৰ দাস। বুধবাৰে বিধানসভাৰ অধিৱেশন শেষ হোৱাৰ পাছত বিধানসভাৰ সচিব দুলাল পেগুক অব্যাহতি দিয়া হৈছিল। একাধিক অনিয়মৰ অভিযোগত বিধানসভাৰ সচিব দুলাল পেগুক অব্যাহতি দিয়াৰ পিছত পুনৰ ১২ গৰাকী বিষয়া-কৰ্মচাৰীক চাকৰিৰ পৰা অব্যাহতি দিলে অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে। বিগত সময়ছোৱাত অৱসৰৰ পিছতো চাকৰিৰ কাৰ্যকাল বৃদ্ধি কৰি বিধানসভা সচিবালয়ৰ *( চাৰিপৃষ্ঠাত চাওক)*

# দিছপুৰত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ বৈঠক



ৰঙিলী বাৰ্তাসেৱা- চুবুৰীয়া ৰাজ্যৰ সৈতে থকা সীমা সমস্যা সমাধানত সৰ্বাধিক গুৰুত্ব দিছে অসম চৰকাৰে। মুখ্যমন্ত্ৰী হিচাপে দ্বিতীয়বাৰৰ বাবে দায়িত্ব লোৱাৰ পাছত শুকুৰবাৰে দিছপুৰৰ লোকসেৱা ভৱনত প্ৰথমবাৰৰ বাবে মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰে বৈঠকত মিলিত হ’ল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। বৈঠকত আলোচিত হয় অসম-মেঘালয়ৰ সীমা সমস্যাকে ধৰি বিভিন্ন আন্তঃৰাজ্যিক বিষয়। উল্লেখ্য যে দীৰ্ঘদিনীয়া অসম-মেঘালয়ৰ সীমা সমস্যাৰ ক্ষেত্ৰত ইতিমধ্যে অনুষ্ঠিত গৃহমন্ত্ৰী পৰ্যায়ৰ বৈঠকত মুখ্যতঃ ছটা স্থানক লৈ দুয়োখন ৰাজ্যৰ বুজাবুজি চুক্তিত উপনীত হৈছিল। আনহাতে আন ৪টা স্থানক লৈ এতিয়াও চূড়ান্ত সিদ্ধান্তত উপনীত হ’ব পৰা নাই দুয়োখন ৰাজ্য। ইয়াৰ বাবে কেইবালানিও বৈঠক অনুষ্ঠিত হৈছে যদিও কোনো এখন ৰাজ্যই বিষয়টোৰ ক্ষেত্ৰত এৰাধৰা নকৰাৰ বাবে পৰিস্থিতি জটিল হৈ আছে। এনে অৱস্থাৰ মাজতে আজি লোকসেৱা ভৱনত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ লগতে ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী মিয়াওভাল্লাং ধৰৰ নেতৃত্বত অহা এটা উচ্চস্তৰীয় দলৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয় অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। বৈঠক সন্দৰ্ভত সামাজিক *(দহ পৃষ্ঠাত চাওক)*


# তেতেলিয়াৰ ২২ মাইলত ভয়ংকৰ পথ দুৰ্ঘটনা



ৰঙিলী বাৰ্তাসেৱা- শুকুৰবাৰে মহানগৰীৰ ক্ষেত্ৰী থানাৰ অন্তৰ্গত ২২ মাইলত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। ফলত এগৰাকী মহিলাসহ চাৰিগৰাকীকৈ লোকৰ মৃত্যু ঘটে। ঘটনা অনুসৰি, শুকুৰবাৰে তেতেলীয়াৰ ২২ মাইলৰ ৰাষ্ট্ৰীয় ঘাইপথৰ *( চাৰিপৃষ্ঠাত চাওক)*

# আদালতত শ্যামকানু-শেখৰজ্যোতিৰ জামিন নাকচ





ৰঙিলী বাৰ্তাসেৱা- দ্বিতীয়বাৰলৈ আদালতত মুখথেকেচা খালে প্ৰাণৰ শিল্পী জুবিন গাৰ্গ হত্যাৰ অভিযুক্ত শ্যামকানু মহন্তই। শুকুৰবাৰে মিতালী ঠাকুৰীয়াৰ আদালতে নাকচ কৰিলে শ্যামকানু মহন্তৰ জামিন আবেদন। আনহাতে, শুকুৰবাৰৰ বিয়লি ফাষ্টট্ৰেক আদালতে শেখৰজ্যোতি গোস্বামীৰো জামিন আবেদন নাকচ কৰি দুই অভিযুক্তৰ মুকলি আকাশৰ তললৈ অহাৰ স্বপ্ন পূৰণ নহ’ল। উল্লেখ্য যে জামিন লাভৰ বাবে শ্যামকানু মহন্তই পূৰ্বে ফাষ্টট্ৰেক আদালতত জামিন আবেদন দাখিল কৰিছিল যদিও আদালতে তেওঁৰ জামিন নাকচ কৰিছিল। নিম্ন আদালতৰ এই ৰায়ৰ প্ৰত্যাহ্বান জনাই শ্যামকানু মহন্তৰ অধিবক্তা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। পোনতে শ্যামকানু মহন্তৰ ১২২১/২০২৬ নম্বৰ আবেদনৰ শুনানি ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ আদালতত সম্পন্ন হোৱাৰ কথা আছিল যদিও ন্যায়াধীশগৰাকীয়ে এই আবেদনৰ শুনানি ল’বলৈ অস্বীকাৰ কৰে। ইয়াৰ পিছতে এই জামিন আবেদন ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ আদালতত পঞ্জীয়ন হয় আৰু *(দহ পৃষ্ঠাত চাওক)*

# মমতাৰ উত্তৰাধিকাৰী অভিষেকক

বাহন এৰি মূল ৰাস্তাৰ পৰা নামি মটৰচাইকেলেৰে সোণাপুৰৰ আক্ৰান্ত পৰিয়ালৰ দিশে গতি কৰাৰ সময়তে উত্তেজিত জনতাই ডায়মণ্ড হাৰ্বাৰৰ সাংসদগৰাকীক ঘেৰাও কৰে। প্ৰতিবাদীসকলে প্ৰাক্তন মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ ৰাজনৈতিক উত্তৰাধিকাৰী ভতিজাক অভিষেক বেনাৰ্জীক লক্ষ্য কৰি এদল লোকে গেলা কণী আৰু জোতা নিক্ষেপ কৰে। উগ্ৰ জনতাই অভিষেক বেনাৰ্জীৰ চছমাৰ লগতে মটৰচাইকেলখনৰো ক্ষতিসাধন কৰে। এই আক্ৰমণৰ পৰা ৰক্ষা পৰিবলৈ অভিষেক বেনাৰ্জীয়ে এটা ক্ৰিকেটৰ হেলমেট পিন্ধি কোনোমতে পলাই প্ৰাণৰক্ষা কৰে। সেই সময়তে একাংশ ক্ষুব্ধ মহিলাই ধাৰাবাহিকভাৱে গেলা কণী আৰু জোতা নিক্ষেপ কৰাৰ লগতে একাংশ লোকে ক’লা পতাকা প্ৰদৰ্শন কৰি চোৰ চোৰ, চোৰ চোৰ বুলি শ্লোগান দিয়ে আৰু অভিষেক বেনাৰ্জী গ’ বেগ ধ্বনিৰে উত্তাল হৈ পৰে। ইয়াৰ মাজতে সোণাপুৰৰ নিহত তৃণমূল কৰ্মী সঞ্জু কৰ্মকাৰৰ ঘৰত উপস্থিত হৈ অভিষেক বেনাৰ্জীয়ে নৱনিৰ্বাচিত চৰকাৰৰ লগতে বৰ্তমানৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীক তীব্ৰ সমালোচনা কৰে। উল্লেখ্য যে বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ তিনি সপ্তাহৰ পিছত প্ৰথমবাৰলৈ ৰাজনৈতিক কাৰ্যসূচী লৈ ৰাজপথলৈ ওলাইছিল অভিষেক বেনাৰ্জী। প্ৰথমে বেলেঘাটাত নিহত তৃণমূল কৰ্মী বিশ্বনাথ পাটনায়কৰ পৰিয়ালক লগ কৰি তেওঁ কালিঘাটলৈ যায়। ইয়াৰ পূৰ্বে বিধানসভাৰ বিধায়কৰ চহী জালিয়াতি কৰাৰ গোচৰত চিআইডিৰ এটা দল তেওঁৰ শান্তি নিকেতনৰ বাসগৃহত উপস্থিত হয়। ইয়াৰ পাছতে সোণাপুৰত ভয়ংকৰ আক্ৰমণৰ সন্মুখীন হয় তৃণমূলৰ নেতাগৰাকী। বৰ্তমান এই ঘটনাক কেন্দ্ৰ কৰি পশ্চিমবংগৰ ৰাজনীতি উত্তপ্ত হৈ পৰিছে। ঘটনাৰ সন্দৰ্ভত অভিষেকে কয়, “আৰক্ষীক বাৰে বাৰে অনুৰোধ জনোৱাৰ পিছতো মই কোনো সহায় নাপালো। এয়াই বিজেপিৰ সংস্কৃতি। তেওঁলোকে আমাক হত্যাৰ চেষ্টা কৰিছে। মোৰ মৃতদেহ ইয়াৰ পৰা উদ্ধাৰ হ’ব লাগে। মই এই ঠাই এৰি নাযাওঁ। সেনা বাহিনী নহালৈকে মই নাযাওঁ।” তেওঁ লগতে কয়, “ভুক্তভোগী পৰিয়ালে বাৰে বাৰে মোক পুৱা আহিবলৈ মানা কৰিছিল। মই জানিছিলো যে ইয়াত মোক আক্ৰমণ কৰা হ’ব। ইমান ভয় কিয়? ডাবল ইঞ্জিন চৰকাৰ, গণতান্ত্ৰিক চৰকাৰ, ইমান ভয় কিয়? মই আইনৰ কাষ চাপিম। আমি সকলো ফুটেজ লৈ আদালতলৈ যাম।”

# এছিয়ান গেমছৰ ভাৰতীয়

সময়ত টীম ইণ্ডিয়াই ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে এদিনীয়া আৰু টি-২০ শৃংখলা খেলিব। মূলতঃ উক্ত শৃংখলাত ছিনিয়ৰ ক্ৰিকেটাৰসকলে ভাগ ল’ব। সেইবাবেই শুভমন গিল আৰু সূৰ্যকুমাৰ যাদৱক এছিয়ান গেমছৰ বাবে ঘোষিত সম্ভাব্য ৩০জনীয়া দলটোত ৰখা হোৱা নাই। ইপিনে, সম্ভাব্য দলটোত তাৰকা পেচবলাৰ যশপ্ৰীত বুমৰাহক অন্তৰ্ভুক্ত কৰা হৈছে। অৱশ্যে ৱেষ্ট ইণ্ডিজ শৃংখলাত কোনে খেলিব আৰু এছিয়ান গেমছলৈ কোন খেলুৱৈক প্ৰেৰণ কৰিব সেয়া এতিয়াও স্পষ্ট হোৱা নাই যদিও এছিয়ান গেমছৰ ভাৰতীয় দলত বৈভৱক অন্তৰ্ভুক্ত কৰাৰ পূৰ্ণ সম্ভাৱনা আছে। ৰাষ্ট্ৰীয় দলৰ জাৰ্ছী পিন্ধি খেলাৰ সপোন হয়তো এছিয়ান গেমছত বাস্তৱায়িত হ’ব বৈভৱৰ।

# ডিব্ৰুগড় জিলাত বেটি

ইয়াৰ সমান্তৰালকৈ বিভিন্ন গাঁও পঞ্চায়ত সমূহত মহিলা সভাৰ আয়োজন কৰি মহিলা সকলৰ মাজতো সজাগতা আনিবলৈ চেষ্টা কৰা হয়। সভাত স্বাস্থ্য বিভাগৰ সমল ব্যক্তি সকলে বিশেষকৈ ঋতুস্ৰাৱৰ প্ৰক্ৰিয়া, ঋতুস্ৰাৱ আৰু অন্ধবিশ্বাস, পৰিস্কাৰ-পৰিচ্ছন্নতা, পুষ্টিকৰ খাদ্য, শাৰীৰিক অনুশীলন আদি বিষয় সমূহ সামৰি বক্তব্য প্ৰদান কৰে। সভাত ১৪ খন বিদ্যালয়ৰ প্ৰায় ১৪৫৭ গৰাকী কিশোৰী আৰু ৬৭ গৰাকী শিক্ষক-শিক্ষয়ত্ৰীৰ লগতে মহিলা সভাবোৰত ৫ খন গাওঁ পঞ্চায়তৰ প্ৰায় ৩৮৭ গৰাকী মহিলা উপস্থিত থাকে।

# এচিএছ বিষয়া লাচিত কুমাৰ দাসক চাকৰিৰ পৰা নিলম্বন




ৰঙিলী বাৰ্তাসেৱা- ৰাজ্য চৰকাৰে এচিএছ বিষয়া লাচিত কুমাৰ দাসক চাকৰিৰ পৰা নিলম্বন কৰিছে। এই সন্দৰ্ভত কৰ্মচাৰী বিভাগৰ তৰফৰ পৰা এক নিৰ্দেশনা জাৰি কৰা হৈছে। কৰ্মচাৰী বিভাগৰ আয়ুক্ত সচিব বীৰেন্দ্ৰ মিটাল স্বাক্ষৰিত নিৰ্দেশনাটোত উল্লেখ কৰা অনুসৰি ঘোচ লৈ হাতে-লোটে নিৰীক্ষণ আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ৰ অভিযানকাৰী দলৰ জালত পৰা দিনটোৰ পৰাই লাচিত কুমাৰ দাসৰ নিলম্বনৰ নিৰ্দেশ কাৰ্যকৰী হ'ব। উল্লেখ্য যে ৰাজহ আৰু দুৰ্যোগ প্ৰশমন বিভাগৰ অতিৰিক্ত সচিব তথা অতিৰিক্ত ভূমিলেখ্য অধিকৰ্তা লাচিত কুমাৰ দাসে নিজ কাৰ্যালয়ত ৪৫ হাজাৰ টকা উৎকোচ লওঁতেই যোৱা ২১ মে'ত অভিযানকাৰী দলে প্ৰেপ্তাৰ কৰিছিল। লাচিত কুমাৰ দাসৰ বিৰুদ্ধে এই সন্দৰ্ভত দুৰ্নীতিবিৰোধী শাখাৰ আৰক্ষী থানাত ১৯/২০২৬ নম্বৰৰ এটা গোচৰ ৰুজু হৈছে। য'ত আৰোপ কৰা হৈছে দুৰ্নীতি প্ৰতিৰোধ আইনৰ ৭ (ক) নং ধাৰা। এই বিষয়ে নিৰীক্ষণ আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ে আনুষ্ঠানিকভাৱে অৱগত কৰাৰ পাছত কৰ্মচাৰী বিভাগে 'আছাম ছাৰ্ভিচেছ (ডিছিপ্লিন এন আপীল)ৰুলছ্-১৯৬৪'ৰ ৬ (২) নং অধিনিয়মৰ অধীনত দাসক চাকৰিৰ পৰা নিলম্বন কৰে। মন কৰিবলগীয়া যে দাসক গ্ৰেপ্তাৰৰ পাছতে (দহ পৃষ্ঠাত চাওক)

# উত্তৰ গুৱাহাটীৰ গৌৰীপুৰত ট্ৰাকৰ খুন্দাত ৩ স্কৰপিঅ' আৰোহী নিহত



ৰঙিলী বাৰ্তাসেৱা- উত্তৰ গুৱাহাটীৰ গৌৰীপুৰত ৰাষ্ট্ৰীয় ঘাইপথত বুধবাৰে নিশা ভয়াৱহ দুৰ্ঘটনাত তিনি যুৱকৰ শোকাৱহ মৃত্যু ঘটে। নিহত যুৱককেইজন ৰণজিৎ দে', কৰুণা বেজবৰুৱা আৰু পাৰ্থপ্ৰতিম বৰ্মন বুলি চিনাক্ত কৰা হৈছে। শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয় গুৱাহাটী মহানগৰীৰ উপকণ্ঠ তথা উত্তৰ গুৱাহাটী (গৌৰীপুৰ) আৰক্ষী চকীৰ অন্তৰ্গত গৌৰীপুৰৰ কালীপাহাৰ নামৰ ঠাইখিনিৰ ৰাষ্ট্ৰীয় ঘাইপথত। নিশা প্ৰায় ২.৩০ মান বজাত দুৰ্ঘটনাটো সংঘটিত হৈছিল। ভুল দিশেৰে তীব্ৰগতিত অহা এখন মালবাহী ট্ৰাকে চাংসাৰি অভিমুখে এএছ-০১ জি পি-৯৯৪০ নম্বৰৰ স্কৰপিঅ' বাহনখনক মুখামুখিকৈ প্ৰচণ্ড জোৰে খুন্দা মাৰে। এএএছ-০১ ডিচি-৩১৪১ নম্বৰৰ লোহা কঢ়িয়াই অনা ট্ৰাকখনৰ খুন্দাত চুৰ্ণমৈ হৈ পৰে স্কৰপিঅ' বাহনখন। এই ভয়াৱহ দুৰ্ঘটনাৰ খবৰ গৌৰীপুৰ আৰক্ষীয়ে লাভ কৰাৰ পিছতে ঘটনাস্থলীত উপস্থিত (পাঁচ পৃষ্ঠাত চাওক)

# বিশ্বশান্তি কামনাৰে ডিব্ৰুগড়ত শান্তিপূৰ্ণভাৱে ত্যাগৰ উৎসৱ ঈদুজ্জোহা পালন



ৰঙিলী বাৰ্তাসেৱা- দেশৰ অন্যান্য ঠাইৰ লগতে ডিব্ৰুগড়তো আজি ইছলাম ধৰ্মীলোকে পৱিত্ৰ উৎসৱ "ঈদুজ্জোহা" পালন কৰে। পুৱাৰ পৰা বতৰ কিছু ডাৱৰীয়া হৈ থাকে যদিও পাছত বতৰ ফৰকাল হোৱাত আনন্দ-উলাহেৰে ঈদগাহত নামাজত অংশগ্ৰহণ কৰাৰ বাবে ৰাইজ হিলদল ভাঙি ওলাই আহি ঈদৰ সমূহীয়া নামাজত অংশগ্ৰহণ কৰে। গ্ৰাহাম বজাৰত থকা "কেন্দ্ৰীয় ঈদগাহ"ত প্ৰায় ৭/৮ হাজাৰ লোকে ঈদৰ নামাজত অংশগ্ৰহণ কৰে। "ডিব্ৰুগড় কেন্দ্ৰীয় ঈদগাহ ময়দান"ত ঈদৰ সমূহীয়া নামাজত ইমামতি কৰে ডিব্ৰুগড়ৰ ডিব্ৰুজান মছজিদৰ পেচ ইমাম মৌলানা আলহজ ছবিৰ আহমেদে। নামাজৰ শেষত ইমাম গৰাকীয়ে জাতি ধৰ্ম ভাষা বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত সম্প্ৰীতি, সমন্বয় আৰু ভ্ৰাতৃত্ববোধৰ কথা কোৱাৰ লগতে বিশ্বশান্তি কামনা কৰি নেদেখাজনৰ ওচৰত দেশৰ, দহৰ লগতে ডিব্ৰুগড়বাসীৰ বাবে দোৱা-প্ৰাৰ্থনা কৰে। ডিব্ৰুগড়ৰ আমোলাপট্টিত থকা "আলহজ জালালউদ্দিন আহমেদ ঈদগাহ"ত প্ৰায় তিনি হাজাৰ লোকে নামাজত অংশ গ্ৰহণ কৰে। ইয়াত ইমামতি কৰে অসম জামিউল উলুম মাদ্ৰাছাৰ প্ৰধান মৌলানা আলহজ মঞ্জুৰ আহমেদে। তেওঁ বিশ্ব শান্তি কামনা কৰি সকলোৰে মঙ্গল কামনা কৰি দোৱা মাগে। ডিব্ৰুগড়ত থকা ৩০(ত্ৰিশ) টা মছজিদতো শান্তিপূৰ্ণভাৱে আজি ঈদৰ নামাজ অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ নালিয়াপুল জামে মছজিদৰ পেচ ইমাম মৌলানা চৈয়দ মোবাৰক হুছেইন, ডিব্ৰুগড় কনভয় ৰোড ন- মছজিদৰ পেচ ইমাম হাফিজ ইনামুল আলি, দক্ষিণ আমোলাপট্টি ৰ'জগলি মছজিদৰ পেচ ইমাম মৌলবী আবু তালিব, তিনিকুনিয়া মছজিদৰ পেচ মৌলানা আতিকুৰ (পাঁচ পৃষ্ঠাত চাওক)

# গাহৰি মাংস বিক্ৰীত নিষেধাজ্ঞা প্ৰশাসনৰ

ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যৰ বিভিন্ন প্ৰান্তত পুনৰ শেহতীয়াকৈ আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ দেখা হৈছে। যাৰ বাবে সেই জিলাসমূহত গাহৰি বিক্ৰী-সৰবৰাহত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। শেহতীয়াকৈ তিনিচুকীয়া জিলাৰ শদিয়া সমজিলাৰ কাকপথাৰৰ উত্তৰ ৰংপুৰীয়া গাঁৱত আফ্ৰিকান ছোৱাইন ফিভাৰ (এ এছ এফ) ধৰা পৰিছে। আফ্ৰিকান ছোৱাইন ফিভাৰ ধৰা পৰাৰ পিছতে জিলা প্ৰশাসনে তৎকালীনভাৱে এই ৰোগবিধ নিয়ন্ত্ৰণ কৰাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে জিলা আয়ুক্ত তথা জিলা দণ্ডাধীশ সুমিত ছাত্তাৱানে এই সন্দৰ্ভত দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫ৰ অধীনত এক আদেশ জাৰি কৰি কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। সেই নিষেধাজ্ঞা অনুসৰি, শদিয়া সমজিলাৰ উত্তৰ ৰংপুৰীয়া গাঁৱক আফ্ৰিকান ছোৱাইন ফিভাৰৰ কেন্দ্ৰস্থল হিচাপে বিবেচনা কৰি অঞ্চলটোৰ ১ কিঃমিঃ ব্যাসাৰ্ধৰ সংক্ৰমিত ঠাই আৰু ১০কিঃমিঃ ব্যাসাৰ্ধ পৰ্যন্ত অঞ্চলক নিৰীক্ষণ এলেকা হিচাপে ঘোষণা কৰা হৈছে । এই সন্দৰ্ভত শেহতীয়াকৈ পশুপালন বিভাগে জাৰি কৰা নিৰ্দেশৰ পাছতে সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। কাৰ্যতঃ শদিয়াত গাহৰি, গাহৰি মাংস বেচা-সৰবৰাহ বন্ধ কৰা হৈছে যদিও এই এলেকাৰ সকলো গাহৰি নিধনৰ বাবেও প্ৰস্তুতি চলাইছে পশুপালন বিভাগে। (দহ পৃষ্ঠাত চাওক)

# অসম বিধানসভাত

হৰ্তাকৰ্তা হৈ পৰা এই ১২গৰাকী বিষয়া- কৰ্মচাৰীক তৎকালে কাৰ্যকৰী হোৱাকৈ অব্যাহতি দিয়ে অধ্যক্ষই। অব্যাহতি লাভ কৰা ১২ বিষয়া-কৰ্মচাৰীৰ ভিতৰত আছে ৰণজিৎ কুমাৰ শৰ্মা, পংকজ কুমাৰ শৰ্মা, ধনজিৎ তালুকদাৰ, তাৰিণী কান্ত স্বৰ্গীয়াৰী, শেৱালি দেৱী, কবিৰাম হাৈলে, কুলধৰ কামান, সমীৰ দাস, মাধৱ তালুকদাৰ, ভবেন পেগু, বিশ্বজিৎ সোম আৰু দিলীৰাম শৰ্মা। উল্লেখ্য যে অৱসৰৰ পাছত এই আটাইকেইজন বিষয়া-কৰ্মচাৰীৰ পূৰ্বৰ বিধানসভাৰ অধ্যক্ষই চাকৰিত মকৰলৰ অনুমোদন জনাইছিল। অৱসৰৰ পাছতো এনেদৰে যোৱা দুই-তিনি বছৰ ধৰি চাকৰিত মকৰল হৈ থকা এইসকল বিষয়া- কৰ্মচাৰীৰ বাবে পদোন্নতি বন্ধ হৈ পৰিছিল আন কেইবাজনো বিষয়া-কৰ্মচাৰীৰ। উল্লেখ্য যে ষষ্ঠদশ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ শেষৰ দিনটোতে সচিব দুলাল পেগুক অব্যাহতি দিয়াৰ পাছতেই কাৰ্যতঃ বিধানসভাৰ অনিয়ম পৰিষ্কাৰ কৰাত নামি পৰিছিল অধ্যক্ষ ৰণজিৎ কুমাৰ দাস। এই অনুসৰি অৱসৰ গ্ৰহণৰ পাছত চাকৰিত কাৰ্যকাল চলাই থকা এই ১২ জন বিষয়া-কৰ্মচাৰীক অব্যাহিত দিয়ে। উল্লেখ্য যে, পূৰ্বৰ অধ্যক্ষই এইসকল বিষয়া-কৰ্মচাৰীৰ কাৰ্যকাল বৃদ্ধি কৰিছিল। ইফালে বিধানসভাৰ সচিব দুলাল পেগুক অব্যাহতি দিয়াৰ পাছত বিধানসভাৰ অতিৰিক্ত সচিব ৰাজীৱ ভট্টাচাৰ্যক সচিবৰ দায়িত্ব দিয়া হয় ।

# তেতেলিয়াৰ ২২ মাইলত

দাঁতিত ৰৈ থকা এ এছ ০১ ইউচি ১৬৩৩ নম্বৰৰ এখন ট্ৰাকত তীব্ৰবেগী এআৰ ০১ কিউ ০০৪২ নম্বৰৰ এখন বলেৰ' বাহনখনে ট্ৰাকখনৰ পিছফালে খুন্দা মাৰে। যাৰ ফলত থিতাতে নিহত হয় বলেৰ'খনত থকা চাৰি আৰোহীৰ একেটা পৰিয়ালৰে লিগি বাৰিছা (অৰুণাচলৰ পশু চিকিৎসক), পত্নী কুনগা দৈমা আৰু পুত্ৰ গিমিৰা বাৰিছা (ত্ৰিপুৰা শান্তি নিকেতন মেডিকেল কলেজৰ ছাত্ৰ)। আনজন নিহত পুত্ৰৰ বন্ধু একেখন মেডিকেল কলেজৰে ছাত্ৰ কৰ্ম শেৰাৰ থিমে আছিল। আটাইকেইজনৰ থিতাতে কৰুণ মৃত্যু হয়। দুৰ্ঘটনাটো ইমানেই ভয়ংকৰ আছিল যে বলেৰ' বাহনখনৰ আগফালটো সম্পূৰ্ণ চূৰ্ণ বিচূৰ্ণ হৈ যায়। দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে ঘটনাস্থলীত ক্ষেত্ৰী যান-বাহন আৰক্ষী উপস্থিত হৈ লোককেইজনক উদ্ধাৰ কৰি সোণাপুৰ জিলা চিকিৎসালয়লৈ নিয়া হয়। বলেৰ' বাহনখনত Govt of Arunachal লিখা আছিল। ইয়াৰে কৰ্ম শেৰাৰ থিমে নামৰ ২৬ বছৰীয়া ত্ৰিপুৰা শান্তি নিকেতন মেডিকেল কলেজৰ ছাত্ৰজনৰ পৰিচয় পত্ৰখনৰ পৰা জানিব পৰা মতে তেওঁৰ ঘৰ অৰুণাচল প্ৰদেশৰ পিন নং ৭৯০০৩ ৰ ৰূপা নামৰ ঠাইৰ আছিল। ভয়াৱহ ঘটনাস্থলীত যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈন আৰু যান-বাহনৰ ডিচিপি জয়ন্ত সাৰথি উপস্থিত হৈ দুৰ্ঘটনাৰ বুজ লয়।

# বিধানসভাত গৃহীত হ'ল ইউচিচি




ৰঙিলী বাৰ্তাসেৱা- অসমৰ ৰাজনৈতিক ইতিহাসত তথা অসম বিধানসভাৰ মজিয়াত পুনৰ সূচনা হ'ল এক নতুন ইতিহাসৰ। দেশৰ তৃতীয়খন ৰাজ্য হিচাপে অসমত বুধবাৰৰ দিনটোত গৃহীত হয় সমৰূপ নাগৰিক সংহিতা, অসম-২০২৬ চমুকৈ ইউ চি চি। ৰাজ্যখনৰ প্ৰতিগৰাকী মহিলাৰ অধিকাৰৰ লগতে সকলো দিশৰ পৰা সুৰক্ষা নিশ্চিত কৰাৰ ৰক্ষাকৱচ হিচাপে চলিত ষষ্ঠদশ অসম বিধানসভাৰ অন্তিম দিনা বুধবাৰে সদনত শাসক পক্ষৰ সমৰ্থন আৰু বিৰোধী বিধায়কসকলৰ কেইবাটাও দিশত তীব্ৰ বিৰোধিতা বিতৰ্ক আৰু বিক্ষোভৰ মাজতে ধ্বনি ভোটত সমৰূপ নাগৰিক সংহিতা, অসম-২৬ নামৰ বিধেয়কখন গৃহিত হয়। উল্লেখ্য যে, সোমবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ সদনত এই গুৰুত্বপূৰ্ণ বিধেয়কখন উত্থাপন কৰিছিল মন্ত্ৰী অতুল বৰাই। বুধবাৰে মুখ্যমন্ত্ৰীৰ হৈ মন্ত্ৰী অতুল বৰাই বিধানসভাত ইউচিচি বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰাৰ পাছতে শাসক-বিৰোধী আলোচনাত মিলিত হয়। শাসকীয় পক্ষৰ বিধায়কসকলে বিধেয়কখনৰ সমৰ্থনত যুক্তি দাঙি ধৰাৰ বিপৰীতে বিৰোধী পক্ষৰ বিধায়কসকলে বিধেয়কখনৰ বিৰোধিতা কৰি যুক্তি আগবঢ়ায়। বিধেয়কখনৰ ওপৰত বিধানসভাত দীঘলীয়া আলোচনা হয়। বহু বাক-বিতণ্ডাৰ অন্তত বিধানসভাত ইউচিচি বিধেয়কখন গৃহীত কৰা হয়। সদনত মুখ্যমন্ত্ৰীয়ে ইউচিচি পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰে আৰু অধ্যক্ষই সমৰ্থনৰ আধাৰত বিধেয়কখন গৃহীত কৰে। লগে লগে শাসকীয় বিধায়কসকলে 'ভাৰত মাতা কি জয়' ধ্বনিৰে সদন উত্তাল কৰি তোলে। বিৰোধীয়ে তীব্ৰ প্ৰতিবাদ কৰে যদিও সংখ্যাৰ বাবে বিধেয়কখন সদনত গৃহীত হয়। উল্লেখ্য যে, বুধবাৰে সদনত সমৰূপ নাগৰিক সংহিতা অসম, ২০২৬ বিধেয়ক চমুকৈ ইউচিচি গৃহীত হোৱাৰ লগে লগে বিধেয়কখন আইনত পৰিণত হ'ল। ইয়াৰ লগে লগে ইউচিচি প্ৰবৰ্তন কৰা উত্তৰাখণ্ড আৰু গুজৰাটৰ পিছত অসম তৃতীয়খন ৰাজ্যত পৰিগণিত হ'ল। ইয়াৰ পূৰ্বে সদনত ইউচিচি বিধেয়ক গৃহীত কৰাৰ বাবে উত্থাপন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য- প্ৰতিগৰাকী নাৰীশক্তিক, প্ৰতিগৰাকী মাতৃক আৰু প্ৰতিগৰাকী কন্যাক মই সন্মান জনাইছোঁ। যি কাৰণতে নহওক কিয়, স্বাধীনতাৰ এক দীঘলীয়া সময়ৰ পাছতো ইউচিচি নথকাৰ বাবে অত্যন্ত দুখ-বেদনাৰে ভৰা জীৱন যিসকল যুৱতী-মহিলাই পাৰ কৰিলে, তেওঁলোকৰ দুখত আজি আমি সমভাগী হৈছোঁ। এগৰাকী নাৰীৰ যেতিয়া জীৱন্ত সত্তা নোহোৱা হৈ যায়, সমাজৰ অফুৰন্ত ক্ষতি হয়। এগৰাকী স্বামীয়ে যেতিয়া তৃতীয়গৰাকী বিবাহ কৰায়, প্ৰথমগৰাকী মাতৃয়ে ঘৰৰ পৰা ওলোৱা বাদ দিয়ে। আজি এই ইউনিফৰ্ম চিভিল কোড (ইউচিচি)ৰ দ্বাৰা সেইগৰাকী মাতৃলৈ শ্ৰদ্ধাঞ্জলি, যিগৰাকী মাতৃয়ে সমাজৰ পৰা (নপৃষ্ঠাত চাওক)

## বিৰোধী দলপতি হিচাপে দায়িত্ব ৰাজেদ আলী চৌধুৰীক



ৰঙিলী বাৰ্তাসেৱা- অৱশেষত সকলোৰে উৎকণ্ঠাৰ অৱসান ঘটাই প্ৰদেশ কংগ্ৰেছৰ বিৰোধী দলপতি হিচাপে জ্যেষ্ঠ নেতা ৰাজেদ আলী চৌধুৰী নিৰ্বাচিত হোৱাৰ পিছতে ষষ্ঠদশ বিধানসভাৰ অধিৰেশনৰ শেষৰ দিনা তেওঁ বিৰোধী দলপতি হিচাপে সদনত অংশগ্ৰহণ কৰে। ৰাজেদ আলী চৌধুৰীক বিৰোধী দলপতি আৰু একমাত্ৰ হিন্দু বিধায়ক হিচাপে বিধানসভাত কংগ্ৰেছক প্ৰতিনিধিত্ব কৰা নাওবৈচা সমষ্টিৰ বিধায়ক ডাঃ জয়প্ৰকাশ দাসক উপ-দলপতি হিচাপে কংগ্ৰেছ হাইকমাণ্ডে দায়িত্ব প্ৰদান কৰে। উল্লেখ্য যে এইবাৰ ষষ্ঠদশ বিধানসভালৈ প্ৰধান (নপৃষ্ঠাত চাওক)

## ৩ জুনৰ পাছত হ'ব মন্ত্ৰীসভাৰ সম্প্ৰসাৰণঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- ১২ মে'ত চাৰিজন সতীৰ্থক লগত লৈ দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাবে ড° হিমন্ত বিশ্ব শৰ্মাই শপতগ্ৰহণ কৰাৰ পিছত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণক লৈ ব্যাপক জল্পনা-কল্পনা আৰম্ভ হৈছে। অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণক লৈ জল্পনা তুংগত উঠাৰ সময়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অহা ৩ জুনৰ পাছতহে তেওঁৰ মন্ত্ৰীসভাখনৰ সম্প্ৰসাৰণ ঘটাব বুলি জানিবলৈ দিছে। বুধবাৰে বিধানসভা চৌহদত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ প্ৰসংগত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, "ক্ৰমান্বয়ে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ কাম চলি থাকিব। জুন মাহৰ প্ৰথম সপ্তাহত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ হৈ যাব। কিন্তু ৩ জুনলৈকে ৰাজ্যপাল মংগোলীয়াত থাকিব। গতিকে যি হ'ব ৩ জুনৰ পাছতহে হ'ব।" ইয়াৰ পূৰ্বেও মুখ্যমন্ত্ৰীয়ে জুন মাহৰ প্ৰথম সপ্তাহত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ হ'ব বুলি ঘোষণা কৰিছিল। ইতিমধ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ চাৰিজনীয়া মন্ত্ৰীসভাত চাহ জনগোষ্ঠী আৰু মহিলা প্ৰতিনিধিৰ লগতে দুই মিত্ৰদল অগপ আৰু বি পি এফৰ প্ৰতিনিধি অন্তৰ্ভুক্ত হৈছে। (নপৃষ্ঠাত চাওক)

## উত্তৰ গুৱাহাটীৰ

হৈ স্কৰপিঅ' বাহনখনত মুমূৰ্ষ অৱস্থাত আবদ্ধ হৈ থকা তিনি আৰোহীক উদ্ধাৰ কৰি চিকিৎসালৈ নিয়াৰ ব্যৱস্থা কৰে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। পিছত চিনাক্ত কৰা যুৱককেইজন মালিগাঁও গো-শালাৰ সোণেশ্বৰ বেজবৰুৱাৰ পুত্ৰ কৰুণা বেজবৰুৱা, প্ৰয়াত কবীন্দ্ৰ বৰ্মনৰ পুত্ৰ পাৰ্থপ্ৰতিম বৰ্মন আৰু ৰণজিৎ দে' বুলি জানিব পৰা যায়। আৰক্ষীয়ে ইতিমধ্যে ঘটনাৰ তদন্ত কৰাৰ লগতে ঘাতক ট্ৰাকখন জব্দ কৰিছে যদিও চালকজনৰ সন্ধান লাভ কৰা নাই। ইপিনে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ অন্তত তিনিওগৰাকীৰ মৃতদেহ বাসগৃহ আহি পোৱাৰ পিছতে অঞ্চলটোত এক শোকাকুল পৰিৱেশ বিৰাজ কৰা পৰিলক্ষিত হয়।

## বিশ্বশান্তি কামনাৰে

ৰহমান কাচিমি, পল্টন বজাৰ মছজিদৰ পেচ ইমাম মৌলানা তনবীৰ ছাকবী আদিয়ে নিজ নিজ মছজিদত ঈদৰ নামাজত ইমামতি কৰে। ডিব্ৰুগড় গ্ৰাহাম বজাৰত থকা কেন্দ্ৰীয় ঈদগাহ সমিতিৰ সভাপতি আলহজ আমানুল্লা আনচাৰি আৰু সম্পাদক আলহজ চৌকত আলিয়ে জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন, বিদ্যুত বিভাগ, পৌৰ নিগম, আদিৰ লগতে জাতি ধৰ্ম ভাষা বৰ্ণ নিৰ্বিশেষে সকলোৰে সহায় সহযোগিতা বাবে ধন্যবাদ জ্ঞাপন কৰে। ডিব্ৰুগড় সদৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষক নয়ন মনি বৰুৱাই ডিব্ৰুগড়ত ইছলাম ধৰ্মী লোকসকলে শান্তিপূৰ্ণ ভাৱে ঈদ পালন কৰাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। ভ্ৰাতৃত্বৰ এনাজৰী ডাল আৰু অধিক সুদৃঢ় কৰাৰ কামনাৰে ঈদ উপলক্ষে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে ঈদৰ শুভেচ্ছা জনাইছে।

## গ্ৰেডিঙৰ বিৰোধিতা শিক্ষা পৰিষদৰে বৈঠক আছুৰ



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীৰ বামুণীমৈদামস্থিত অসম ৰাজ্যিক বিদ্যাঞ্জালয় শিক্ষা পৰিষদ চুমকৈ এএছএছইবি কাৰ্যালয়ত বুধবাৰে সদৌ অসম ছাত্ৰ সন্থৰ নেতৃত্ব আৰু অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ আৰু কৰ্তৃপক্ষৰ মাজত উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাৰ গ্ৰেডিং ব্যৱস্থাৰ লগতে মুঠ ৭ টা বিষয় সন্দৰ্ভত অনুষ্ঠিত হয় এক আলোচনা। সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্যৰ নেতৃত্বত যোৱা আছুৰ দলটোৱে শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈন, উপাধ্যক্ষ ৰুক্ম গোহাঁই বৰুৱা প্ৰমুখ্যে বিষয়ববীয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। প্ৰায় তিনি ঘণ্টাজুৰি আছুৰ নেতৃত্ব আৰু এএছএছইবিৰ কৰ্তৃপক্ষৰ মাজত এই আলোচনা চলে। আলোচনা সন্দৰ্ভত সদৰী কৰি আছুৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে কয় যে উচ্চতৰ মাধ্যমিক পৰ্যায়ত একাদশ আৰু দ্বাদশ শ্ৰেণীত ক্ৰমে Environment Education আৰু General Studies শীৰ্ষক দুটি বিষয় সন্নিবিষ্ট কৰাৰ সিদ্ধান্তই ছাত্ৰ-ছাত্ৰীৰ ওপৰত অতিৰিক্ত বিষয়ৰ বোজা সৃষ্টি কৰিব বুলি সংশয়ৰ সৃষ্টি হৈছে। আছুৱে শিক্ষা পৰিষদৰ পৰা এই সন্দৰ্ভত এটি স্পষ্ট ব্যাখ্যা বিচাৰে। শিক্ষা পৰিষদৰ কৰ্তৃপক্ষই সেই অতিৰিক্ত বিষয়টোৱে পৰীক্ষাত উত্তীৰ্ণ হোৱা-নোহোৱাত কোনো প্ৰভাৱ (নপৃষ্ঠাত চাওক)

# বিবেকৰ কাঠগড়াত আধুনিকতাস



কুন্তিল হাজৰিকা,ভগামুখ, টীয়ক যোৰহাট

মানৱ সভ্যতাৰ ক্ৰমবিকাশ আৰু আধুনিকতাৰ জয়যাত্ৰাৰ মাজতো আজিও সমাজৰ এক অন্ধকাৰ দিশে সমগ্ৰ মানৱ জাতিক লজ্জানত কৰি আহিছে। বিজ্ঞান, প্ৰযুক্তি আৰু শিক্ষাৰ চৰম শিখৰত আৰোহণ কৰাৰ পিছতো নাৰীৰ ওপৰত হোৱা পাশৱিক অত্যাচাৰ আৰু ধৰ্ষণৰ দৰে জঘন্য অপৰাধে আমাৰ তথাকথিত উন্নত মানসিকতাক বাৰে বাৰে প্ৰশ্নবোধকৰ কাঠগড়াত থিয় কৰায়। ই কেৱল এটি শৰীৰৰ ওপৰত কৰা শাৰীৰিক আঘাত নহয়, বৰঞ্চ ই সমগ্ৰ মানৱতা, সামাজিক ন্যায় আৰু ব্যক্তি স্বাধীনতাৰ বুকু ফালি কৰা এক চৰম কুঠাৰাঘাত। সমাজৰ বুকুত এনে দানৱীয় প্ৰবৃত্তিৰ পুনৰাবৃত্তিয়ে প্ৰমাণ কৰে যে আমাৰ সমাজখন এতিয়াও সম্পূৰ্ণৰূপে সুস্থ আৰু সুৰক্ষিত হৈ উঠা নাই।

সমাজত এনে ব্যাধিয়ে গা কৰি উঠাৰ নেপথ্যত বহু গভীৰ মানসিক আৰু সামাজিক কাৰণ নিহিত হৈ থাকে। পুৰুষতান্ত্ৰিক অহংকাৰ, নাৰীক ভোগৰ বস্তু হিচাপে গণ্য কৰাৰ বিকৃত মানসিকতা আৰু নৈতিক মূল্যবোধৰ চৰম অৱক্ষয়েই ইয়াৰ মূল কাৰণ। ইয়াৰ উপৰি, অপৰাধীৰ মনত আইন বা প্ৰশাসনৰ প্ৰতি থকা ভয়ৰ অভাৱে এনে দুষ্কাৰ্যক অধিক উদগনি যোগায়। যেতিয়ালৈকে সমাজৰ প্ৰতিজন ব্যক্তিয়ে নাৰীক সন্মানেৰে চাবলৈ নিশিকে আৰু নৈতিক শিক্ষাৰে নিজৰ সন্তানক দীক্ষিত নকৰে, তেতিয়ালৈকে কেৱল যান্ত্ৰিক বিকাশে সমাজলৈ প্ৰকৃত পোহৰ আনিব নোৱাৰে। চৰকাৰী পক্ষৰ পৰা কঠোৰতম শাস্তিৰ বিধান আৰু ক্ষিপ্ৰ ন্যায় প্ৰক্ৰিয়াৰ অতি প্ৰয়োজন, যাতে কোনো দুষ্কৃতিকাৰীয়ে এনে অপৰাধ কৰাৰ সাহসেই কৰিব নোৱাৰে।

প্ৰকৃতপক্ষে, এই সামাজিক ব্যাধিৰ উপশম কেৱল চৰকাৰ বা আইনৰ দ্বাৰাই সম্ভৱ নহয়, ইয়াৰ বাবে এক সামূহিক সামাজিক চেতনাৰ জাগৰণ অনিবাৰ্য। আমাৰ শিক্ষা ব্যৱস্থাত লিংগ সমতা আৰু নৈতিকতাৰ গভীৰ চৰ্চা হ'ব লাগে। প্ৰতিগৰাকী নাৰীৰ সুৰক্ষা আৰু অধিকাৰ সুনিশ্চিত কৰাটো কোনো এক বিশেষ পক্ষৰ দায়িত্ব নহয়, ই সমগ্ৰ সমাজৰে এক নৈতিক কৰ্তব্য। যেতিয়া সমাজৰ প্ৰতিটো কোণৰ পৰা বিকৃত মানসিকতাৰ অৱসান ঘটিব আৰু এক কলংকমুক্ত, সুস্থ পৰিৱেশৰ সৃষ্টি হ'ব, তেতিয়াহে মানৱ সভ্যতাই আচল অৰ্থত প্ৰগতিৰ মুখ দেখিব। এক সুৰক্ষিত আৰু মৰ্যাদাপূৰ্ণ সমাজ গঢ়াৰ সংকল্পৰে প্ৰতিজন নাগৰিক সজাগ আৰু সক্ৰিয় হৈ উঠাটো আজিৰ সময়ৰ আটাইতকৈ ডাঙৰ আহ্বান।

# চহৰত কৃত্ৰিম বানপানী/ গাঁওবোৰত গৰা -খহনীয়া বানপানী অসমৰ এটা ডাঙৰ জলন্ত সমস্যা



অনামিকা (সংগীতা)কলিতা, গুৱালকুছি

হয়, গুৱাহাটী বা আন ৰাজ্যৰ চহৰতো এজাক বৰষুণ দিলেই কৃত্ৰিম বানপানীৰ সৃষ্টি হোৱা দেখিছোঁ। অসমৰ প্ৰাণকেন্দ্ৰ আৰু ৰাজধানীখন গুৱাহাটীতে। তেনে স্থলত বিভিন্ন ঠাইৰ মানুহৰ কৰ্মস্থলী, শিক্ষাগ্ৰহণৰ বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে গুৱাহাটী কিন্তু এজাকে বৰষুণ আহিলেই মেট্ৰো চিটি পানীৰে উপচি বাট-পথ বন্ধ হৈ যায় কেইবাদিনলৈকে, ল'ৰা-ছোৱালী স্কুলত যাব নোৱাৰে, ঘৰ -দুৱাৰ, স্কুল/অফিচ কিছুমানত বৰষুণৰ কৃত্ৰিম বানৰ কাৰণে বন্ধ ৰাখিব লগা হয়। ঘৰৰ পৰাই অনলাইন হয়তো কামবোৰ কৰে।

ঠিক তেনেকৈ গাঁওবোৰত বছৰত ৫০শতাংশ লোক এই বানৰ কবলত পৰে। অসমত নৈ/উপনৈৰ সংখ্যা অধিক ।বাৰিষাত নৈ!উপনৈ সমূহ পৰিপূৰ্ণ হৈ ফেনে ফুটুকাৰে বাঢ়ি অহাৰ ফলত লগতে গৰাখহনীয়াত বহুত খেতি পথাৰৰ শস্য নষ্ট হয়। মানুহৰ চোতাল ঘৰত পানীতে বুৰ যায় এক অৰাজকতা সৃষ্টি হয়। ঠিকাদাৰ আদিয়ে নিজৰ অধিক মুনাফা লাভৰ কথা ভাবি মথাউৰি বোৰ নিৰ্মাণ কৰোঁতে সস্তীয়া কম মানদণ্ডৰ সামগ্ৰী ব্যৱহাৰ কৰে যাৰ ফলত কম দিনৰ ভিতৰতে সকলো ভাঙি যায় কিছুমান ঠাইত এবছৰো অতিবাহিত নহয় টিভিৰ বাতৰিত দেখিছোঁ। তাৰোপৰি আমাৰ মানুহবোৰ কম নহয় নলা নৰ্দমা আদিত প্লাষ্টিকৰ পেকেট/জাবৰ জোথৰ আদি পেলোৱাৰ কাৰণে নলাবোৰ বন্ধ হৈ থাকে পানী যাব'লৈ সুবিধা নাপালে নলাৰ পানী

(সাত পৃষ্ঠাত চাওক)

# নীলপদ্মৰ আলোক



ৰাজলক্ষ্মী বৰঠাকুৰ,প্ৰাক্তন ছাত্ৰী, শিশু ভাৰতী স্কুল

জ্ঞানৰ দীপ জ্বলাই তুমি
আহিলা আমাৰ মাজলৈ,
শব্দৰে সজাই দিলে
সপোনভৰা নতুন পথলৈ।
শ্ৰেণীকোঠাৰ নীৰৱ ক্ষণত
তোমাৰ কণ্ঠৰ সুৰ,
ছাত্ৰৰ মনত জগাই তুলিছিল
আশাৰ এটি নৱ আলোক।
কলমত আছিল মাটিৰ গন্ধ,
মানুহৰ দুখৰ গান,
প্ৰকৃতিৰ সেউজীয়া বুকুত
শুনি পাইছিলা জীৱনৰ টান।
কমল দুৱৰা মহাবিদ্যালয়ত
জ্ঞানৰ বাট দেখুৱাই,
হৃদয়ত ৰৈ গ'লা তুমি
অমৰ স্মৃতি হৈ।
নীলপদ্মৰ দৰে আজি
তোমাৰ নাম উজ্জ্বল,
অসমীয়া সাহিত্য আকাশত
তুমি চিৰন্তন জ্যোতিষ্ক অমল।


# পোহৰৰ ভাষা



মুন শৰ্মা, লখিমপুৰ

বুকুত ৰ'দে আঁকে,
সোণালী আখৰ।
বতাহে পঢ়ে চুপি চুপি
পাতৰ কাণত ফুচফুচাই,
বৰষুণ আহি ধুই দিয়ে ধূলি ৰ অভিমান,
সেউজীয়া ই মিচিকিয়ায়,
নতুন জন্মৰ অজস্ৰ গান।
পাহাৰৰ টিঙত বহি,
ডাৱৰে লিখে এখন চিঠি,
শিলে সামৰি থয় নিজৰ বুকুত।
মই মাথোঁ নীৰৱ শ্ৰোতা,
এই পৰিধি হীন সভাৰ,
বক্তা প্ৰকৃতি বক্তৃতা সাৱলীল,
জীৱনৰ অৰ্থ অপাৰ।।

# জুবিন গাৰ্গ




সংগীত জগতত উদিত হোৱা এটি
উজ্জ্বল জ্যোতিস্ক
যিটো জ্যোতিস্কৰ নাম 'জুবিন গাৰ্গ'
কোটি কোটি সংগীত প্ৰেমিৰ প্ৰাণত সপ্তসুৰৰ অযুত আৱেগৰ
পোহাৰ সিঁচি উমি উমি জ্বলি থকা এগছি অনন্ত শিখা
সৎ আদৰ্শৰ সম্প্ৰীতিৰ নিচান উৰুৱাই
ধৰ্মৰ প্ৰাচীৰ ভাঙিলা
তোমাৰ প্ৰতিবাদী সত্তা গীতেৰে বুজালা
অবুজন দৰ্শক আমি বুজি নাপালো
তোমাৰ সুমধুৰ কণ্ঠৰ মায়াজালত বন্দী
এটি প্ৰজন্মৰ পৰা আন এটি নব প্ৰজন্ম....
অসমীয়া জাতিৰ প্ৰাণ স্পন্দন ৰূপে
সংগীত জগতত 'লুইত কণ্ঠ' নামেৰে অলঙ্কিত
ডাৱৰৰ আঁৰে আঁৰে মেঘালীৰ লুকাভাকুৰ
মায়াবিনী ৰাতিৰ বুকুত
তোমাৰ উচ্চাকাংক্ষাৰ অশ্বমেধ ঘোঁৰাটো
অভিমন্যুৰ দৰে চক্ৰবেহুত কেনি
সোমাল তুমি গমকে নাপালা.... !!!
মায়াবিনী ৰাতিৰ বুকুত লাখ লাখ
অনুৰাগীক চিনিলা কিন্তু, কিয়
মায়াবী স্বাৰ্থপৰক নিচি নাপালা... ???
তোমাক হেৰুৱা বেদনা সাৰ্বজনীন
বিদায় বিলাতো শিকালা সাহসিকতাৰ জয়গান.... !!!
অমৃতময়ী গীতৰ মৌচাক চুমি চুমি
ভাগৰি নপৰা মহান মণিষী
গৰাকী মহাসাগৰ বক্ষত হেৰাই গ'ল
মানিক বুতলি বুতলি....
লাখ লাখ অনুৰাগীৰ হাহাকাৰ ধ্বনি
হেৰাই যাব নোৱাৰে আমাৰ প্ৰাণৰ শিল্পী
মায়াবিনী ৰাতিৰ বুকুত গোপনে আহি
ধৰা দি ক'লাহি----
'হে মোৰ প্ৰাণৰ অনুৰাগীসকল,' মই হেৰাই
যোৱা নাই
প্ৰতিটো প্ৰজন্মৰ হৃদয় কাৰেংত
এপাহী ইন্দ্ৰ মালতী হৈ
জিলিকি থাকিম ।

# চহৰত কৃত্ৰিম বানপানী

বাট-পথ বুৰাই পেলায়। গতিকে এই সমস্যাবোৰৰ কাৰণে বানপানীৰ সমস্যাৰ সৃষ্টি হয়। নদী বান্ধ বানপানীৰ সমস্যাৰ আন এটা কাৰণ।

ইয়াৰ সমাধানৰ উপায়-

১)খৰালিতে মথাউৰি বোৰ উন্নত প্ৰণালীৰে নিৰ্মাণ কৰিব লাগিব।

২) নদী বান্ধ মধে মধে খুলি দিব নালাগে।

৩) নৈ /উপনৈ সমূহৰ মাজে সময়ে খনন কাৰ্য কৰিলে প্ৰতিৰোধ হ'ব

৪) নলা/নৰ্দমা পানী যোৱাৰ পথ পৰিস্কাৰ কৰিব লাগিব । সকলোৰে জাবৰ জোথৰ পেলাই বন্ধ কৰিব নোৱাৰে তাৰ কাৰণে ৰাইজে সতৰ্ক থাকিব লাগিব।

# অসমীয়া জনজীৱনত নষ্টালজিয়ে ভৰপূৰ এটি নাম -চাঙ ঘৰ



অসমীয়া জনজীৱনৰ অতীত বুৰঞ্জী মেলিলে হয়টো চহা গ্ৰাম্য মানুহখিনিক প্ৰাধান্য দি তেওঁলোকৰ ওপৰত জঁাপিটোৰ দৰে থিয় হৈ থকা সেই যাদুকৰী আৱাসস্থলীটোনো কি বুলি যদি কোনোবাই সোধে তেন্তে একেমুখে ক'ব পাৰিম সেয়া হৈছে চাঙঘৰ। চাঙঘৰ অসমীয়া সমাজ-সংস্কৃতিৰ এক অনন্য ঐতিহ্য। ই কেৱল বাসস্থান নহয়, বৰং অসমৰ গ্ৰাম্য জীৱন, প্ৰকৃতিৰ সৈতে মানৱীয় সহাবস্থান আৰু আৱেগ-অনুভূতিৰ এক জীৱন্ত প্ৰতীক। **লক্ষীনন্দন কলিতা**

যুগ যুগ ধৰি অসমীয়া মানুহে নদী, বন, বৰষুণৰ মাজত জীৱন গঢ়ি তুলিছে। এই জীৱনধাৰাৰ লগত খাপ খুৱাই সৃষ্টি হোৱা চাঙঘৰে আজিও অসমীয়া জাতিৰ পৰিচয় বহন কৰি আছে। আধুনিকতাৰ ঢৌত বহু পুৰণি ঐতিহ্য হেৰাই যোৱাৰ পথত থাকিলেও চাঙঘৰ আজিও অসমীয়া মানুহৰ হৃদয়ত স্মৃতি, শিপা আৰু সংস্কৃতিৰ ৰূপত বাচি আছে। চাঙঘৰ মূলতঃ মাটিৰ ওপৰত খুঁটি তুলি বনোৱা ঘৰ। বাঁহ, কাঠ, টোকৌপাত, তৃণ আদি প্ৰাকৃতিক সামগ্ৰীৰে এই ঘৰ নিৰ্মাণ কৰা হয়। অসমৰ অধিক বৰষুণ আৰু বন্যাপ্ৰৱণ অঞ্চলত মানুহে নিজকে সুৰক্ষিত ৰাখিবলৈ এই ধৰণৰ ঘৰ সাজিছিল। বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ নদীপাৰ অঞ্চলত চাঙঘৰৰ প্ৰচলন অধিক দেখা যায়। মাটিৰ ওপৰত ঘৰ তুলিলে পানী সহজে ঘৰত সোমাব নোৱাৰে, লগতে সাপ-পোক-মাকড়ৰ উপদ্ৰৱো কম হয়। এই ব্যৱস্থা অসমীয়া মানুহৰ প্ৰকৃতি-জ্ঞান আৰু বুদ্ধিমত্তাৰ পৰিচয় বহন কৰে। চাঙঘৰ কেৱল এটা স্থাপত্যশৈলী নহয়, ই এক জীৱনদৰ্শন। এই ঘৰত মানুহে প্ৰকৃতিৰ সৈতে যুঁজ নকৰি মিলি থাকিবলৈ শিকিছে। বাঁহৰ মজিয়াত বৰষুণৰ টোপালৰ শব্দ, শীতৰ ৰাতিৰ জুঁইৰ উম, গৰমৰ দিনত বতাহৰ প্ৰবাল ঢৌ -এই সকলো অনুভৱে চাঙঘৰক এক জীৱন্ত অভিজ্ঞতালৈ ৰূপান্তৰিত কৰে। চাঙঘৰত ডাঙৰ হোৱা এজন অসমীয়া মানুহৰ বাবে এই ঘৰ মানে শৈশৱৰ স্মৃতি, পৰিয়ালৰ মৰম আৰু গাঁওৰ সৰল জীৱনৰ প্ৰতিচ্ছবি। অসমীয়া সমাজত পৰিয়াল আৰু সম্প্ৰদায়ৰ বন্ধন অতি গভীৰ। চাঙঘৰৰ আঙিনা এই সম্পৰ্কৰ এক কেন্দ্ৰবিন্দু। সন্ধিয়া সময়ত পৰিয়ালৰ সকলো সদস্য একেলগে বহি কথা পতা, আইতাই সাধুকথা কোৱা, দেউতাকে জীৱনৰ অভিজ্ঞতা শ্বেয়াৰ কৰা-এইবোৰে পৰিয়ালিক সম্পৰ্ক অধিক দৃঢ় কৰি তোলে। আজিৰ ব্যস্ত জীৱনত যি আন্তৰিকতা আৰু সময়ৰ অভাৱ দেখা যায়, চাঙঘৰৰ জীৱনত সেই সম্প্ৰীতি সহজভাৱে উপলব্ধ হৈছিল। অসমীয়া উৎসৱ-পাৰ্বণৰ লগতো চাঙঘৰৰ গভীৰ সম্পৰ্ক আছে। বিশেষকৈ ব'হাগ বিহু অসমীয়া মানুহৰ আটাইতকৈ আনন্দময় উৎসৱ। বিহুৰ দিনত চাঙঘৰৰ আঙিনাত ঢোল-পেঁপাৰ মাতত মুখৰিত হৈ উঠে। গাঁৱৰ ডেকা-গাভৰুৱে বিহু নাচে, ঘৰে ঘৰে পিঠা-লাডু বনোৱা হয় আৰু অতিথি আপ্যায়নেৰে ঘৰ ভৰি পৰে। এই উৎসৱসমূহে চাঙঘৰক আনন্দ, মিলন আৰু সংস্কৃতিৰ এক কেন্দ্ৰত পৰিণত কৰে।

চাঙঘৰৰ সৈতে অসমীয়া সাহিত্য আৰু সংগীতৰো গভীৰ সম্পৰ্ক আছে। বহু কবি-সাহিত্যিকে চাঙঘৰক অসমীয়া জীৱনৰ প্ৰতীক হিচাপে বৰ্ণনা কৰিছে। গাঁও, বৰষুণ, নদী আৰু চাঙঘৰৰ মিলনে অসমীয়া সাহিত্যত এক বিশেষ আবেগ সৃষ্টি কৰিছে। লোকগীত, বিহুগীত আৰু আধুনিক গীততো চাঙঘৰৰ উল্লেখ বাৰে বাৰে দেখা যায়। এই উল্লেখসমূহে প্ৰমাণ কৰে যে চাঙঘৰ অসমীয়া মানুহৰ মনোজগতত কিমান গভীৰভাৱে স্থান দখল কৰি আছে।

কিন্তু আধুনিকতাৰ প্ৰভাৱত চাঙঘৰৰ সংখ্যা ক্ৰমাৎ কমি আহিছে। চিমেণ্ট আৰু ইটাৰ পকী ঘৰ নিৰ্মাণৰ প্ৰৱণতা বৃদ্ধি পোৱাৰ ফলত বহু মানুহে পুৰণি চাঙঘৰ এৰি নতুন ধৰণৰ ঘৰলৈ গতি কৰিছে। নগৰায়ণ আৰু জীৱনধাৰাৰ পৰিৱৰ্তনে এই ঐতিহ্যক সংকটৰ সন্মুখীন কৰিছে। তথাপিও বহু মানুহে আজিও চাঙঘৰক নিজৰ শিপা আৰু পৰিচয়ৰ প্ৰতীক হিচাপে মানি লৈছে। বিশেষকৈ গাঁও অঞ্চলত আজিও চাঙঘৰ অসমীয়া সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে বিদ্যমান।

বৰ্তমান সময়ত পৰিৱেশ সংৰক্ষণ আৰু পৰম্পৰাগত স্থাপত্যৰ ওপৰত নতুনকৈ গুৰুত্ব দিয়া হৈছে। এই ক্ষেত্ৰত চাঙঘৰ এক উৎকৃষ্ট উদাহৰণ। সম্পূৰ্ণ প্ৰাকৃতিক সামগ্ৰীৰে নিৰ্মিত এই ঘৰ পৰিৱেশ-বান্ধৱ। গৰমত ঠাণ্ডা আৰু শীতত তুলনামূলক উমাল হোৱা বাবে চাঙঘৰ প্ৰাকৃতিকভাৱে আৰামদায়ক। আধুনিক বিজ্ঞানেও এতিয়া বুজিবলৈ আৰম্ভ কৰিছে যে স্থানীয় পৰিৱেশ অনুযায়ী গঢ়ি উঠা পৰম্পৰাগত স্থাপত্যৰ বিশেষ মূল্য আছে। সেয়েহে বহু গৱেষকে চাঙঘৰৰ গঠন আৰু প্ৰকৃতি-সামঞ্জস্যৰ ওপৰত অধ্যয়ন কৰি আছে ।

চাঙঘৰৰ লগত জড়িত আছে অসমীয়া মানুহৰ মানসিক আৱেগো। বহু মানুহে নিজৰ গাঁও এৰি চহৰত বসবাস কৰিলেও মনত আজিও চাঙঘৰৰ স্মৃতি জীয়াই থাকে। দূৰত থাকিলেও শৈশৱৰ সেই বাঁহৰ ঘৰ, বৰষুণৰ দিন, গাঁৱৰ সেউজীয়া পথ আৰু পৰিয়ালৰ সৈতে কটোৱা মুহূৰ্তবোৰে তেওঁলোকক আৱেগিক কৰি তোলে। এই কাৰণেই চাঙঘৰ অসমীয়া মানুহৰ বাবে কেৱল এটা ঘৰ নহয়, ই এক অনুভূতি।

সামগ্ৰিকভাৱে ক'বলৈ গ'লে, চাঙঘৰ অসমীয়া সংস্কৃতি, ঐতিহ্য আৰু জীৱনবোধৰ এক মূল্যবান সম্পদ। ই অসমীয়া মানুহৰ প্ৰকৃতিৰ সৈতে গভীৰ সম্পৰ্ক, সামাজিক সম্প্ৰীতি আৰু আৱেগিক বন্ধনৰ প্ৰতীক। আধুনিকতাৰ যুগতো এই ঐতিহ্য সংৰক্ষণ কৰা অতি প্ৰয়োজনীয়, কিয়নো চাঙঘৰৰ মাজতেই অসমীয়া জাতিৰ শিপা আৰু আত্মাৰ স্পন্দন লুকাই আছে। নতুন প্ৰজন্মই যদি এই ঐতিহ্যৰ মূল্য বুজি সংৰক্ষণ কৰে, তেন্তে চাঙঘৰ আগন্তুক দিনতো অসমীয়া মানুহৰ গৌৰৱৰ প্ৰতীক হিচাপে জীয়াই থাকিব।


# নলিনীবালা দেৱী



**নুৰজামাল হক, দলগাঁও**

সাহিত্য জগতৰ এক উজ্জ্বল নক্ষত্ৰ
ভক্তি আৰু মানৱতা যাৰ পৰিচয়,
বেদনাৰে ভৰা অবিৰাম জীৱনগাঁথা
সকলোৰে যাক কয়।
সৰু বেলাৰ পৰাই তেওঁৰ
সংবেদনশীল মন,
কবিতাৰ সুৰে জগাই তুলিছিল
হৃদয়ৰ স্পন্দন।
জীৱনৰ পথ সহজ নাছিল,
আছিল দুখৰ ছাঁ,
তথাপিও সাহসেৰে আগবাঢ়ি
জীৱন কৰিলে গাঁথা।
স্বামী আছিল জীৱনৰ
আশা আৰু ভৰসা,
সুখ-দুখৰ দিনবোৰত
দিছিল মৰমৰ ভাষা।
কিন্তু ভাগ্যৰ কঠিন আঘাতে
নামিল বিষাদৰ ৰাতি,
স্বামীৰ মৃত্যুৰ বেদনাই
নুমাই দিলে চাকি।
মাতৃ হৃদয়ৰ স্নেহভৰা
আছিল আপোন পুত্ৰ,
তেওঁৰ হাঁহিত বিচাৰি পাইছিল
জীৱনৰ পোহৰৰ মন্ত্ৰ।
কিন্তু নিষ্ঠুৰ সময় আহি
সেই সুখো নিলে কাঢ়ি,
পুত্ৰ বিয়োগৰ গভীৰ দুখে
হৃদয় দিলে ফাঁড়ি।
এই অসীম বেদনাবোৰ
চকুপানীত নোহোৱা,
কলমৰ সুৰে কবিতাত
হৈ উঠিল কোৱা।
দুখক শক্তি কৰি লৈ
তেওঁ লিখিলে গান,
মানুহৰ হৃদয় স্পৰ্শ কৰা
অমৰ কবিতাৰ ধ্বনি মহান।
নাৰী জীৱনৰ নীৰৱ বেদনা,
সংগ্ৰাম আৰু আশা,
তেওঁৰ সাহিত্যত পাই
প্ৰশান্তিৰ গভীৰ ভাষা।
স্বামী আৰু পুত্ৰৰ স্মৃতি
হৃদয়ত ৰাখি জীয়াই,
সাহিত্যৰ পৱিত্ৰ সাধনাৰে
নিজ নাম অমৰ কৰি থৈ যায়।
আজিও অসমীয়া সাহিত্যত
তেওঁ জ্বলন্ত দীপ,
বেদনাৰ মাজতো সৃষ্টিৰ শক্তি
শিকাই যায় অনুপম ৰূপ।

# শিশুৰ ব্যক্তিত্ব গঠনত পিতৃ-মাতৃৰ ভূমিকা



**দৰ্শনা দত্ত,দেৰগাঁও, গোলাঘাট**

মানুহ সামাজিক জীৱ। সমাজত জীয়াই থাকিবলৈ, সুস্থ পৰিৱেশ এটা গঢ় দিবলৈ আৰু এজন সফল ব্যক্তি হ'বলৈ সৎ চৰিত্ৰ তথা সুন্দৰ ব্যক্তিত্বৰ প্ৰয়োজন। মানুহৰ এই ব্যক্তিত্ব গঠনৰ প্ৰক্ৰিয়াটো শিশু অৱস্থাৰ পৰাই আৰম্ভ হয়। শৈশৱকাল মানুহৰ সমগ্ৰ জীৱনৰ আটাইতকৈ সংবেদনশীল আৰু গুৰুত্বপূৰ্ণ সময়। এই সময়ছোৱাতে শিশুৰ চৰিত্ৰ, মানসিকতা আৰু ব্যক্তিত্বৰ বীজ অংকুৰিত হয়। ঘৰখনেই হৈছে শিশুৰ জীৱনৰ প্ৰথম পাঠশালা আৰু পিতৃ-মাতৃয়েই হৈছে তেওঁলোকৰ প্ৰথম শিক্ষক তথা পথ প্ৰদৰ্শক। গতিকে শিশু এটিক ভৱিষ্যতে সমাজৰ এজন সুনাগৰিক হিচাপে গঢ়ি তুলিবলৈ পিতৃ-মাতৃৰ মৰম, যতন আৰু সক্ৰিয় দায়িত্ববোধৰ অতি প্ৰয়োজন।

শিশুসকল জন্মগতভাৱেই অনুকৰণপ্ৰিয়। শিশুসকলে মুখেৰে বুজোৱা কথা আৰু উপদেশবোৰতকৈ চকুৰ আগত দেখা কাৰ্যবোৰহে সোনকালে শিকে আৰু সেইবাৰ গ্ৰহণ কৰে। ঘৰুৱা জীৱনত পিতৃ-মাতৃৰ কথা-বতৰা, আচাৰ-ব্যৱহাৰ, ধৈৰ্য্যতা, সৰলতা, পৰোপকাৰী মনোভাৱ, ক্ষমা আৰু নিয়মানুৱৰ্তিতাৰ দৰে গুণবোৰ শিশুৱে লক্ষ্য কৰে আৰু অজ্ঞাতসাৰে তেনে গুণবোৰক নিজৰ জীৱনত প্ৰয়োগ কৰিবলৈও শিকে। অৰ্থাৎ মাক-দেউতাকে যদি পৰস্পৰক সন্মান কৰে, পৰিয়ালৰ লোক তথা জ্যেষ্ঠসকলক শ্ৰদ্ধা কৰে আৰু অন্যান্য সৎ গুণবোৰ শিশুৰ আগত প্ৰদৰ্শন কৰে, তেতিয়া শিশুৰ মাজতো তেনে গুণবোৰ আপোনা-আপুনি গঢ়ি উঠে। তদুপৰি শিশুৱে কৰা সৰু সৰু ভাল কামবোৰৰ প্ৰশংসা কৰা, কিবা ভুল কৰিলে অধিক গালি-শাস্তি নিদি তাক কেনেকৈ শুধৰাব পাৰি তাক মৰমেৰে বুজাই দিয়া আদিবোৰে শিশুসকলৰ মনত কাৰ্যক্ষমতাৰ মনোভাৱ আৰু আত্মবিশ্বাস বহু পৰিমাণে বঢ়াই তোলে। ইয়াৰোপৰি, নিজৰ সৰু-সুৰা কামবোৰ নিজে কৰাৰ অভ্যাস সৰুৰে পৰা কৰালে শিশুৰ মনত স্বাৱলম্বী হোৱাৰ মানসিকতা গঢ়ি উঠে। ইয়াৰ বিপৰীতে, ঘৰৰ উচ্ছৃংখল পৰিৱেশ, মাক-দেউতাকৰ অসৎ আৰু খঙাল আচৰণে শিশুৰ মনস্তত্ত্বত গভীৰ আৰু ঋণাত্মক প্ৰভাৱ পেলায়। ইয়াৰ ফলত শিশু খঙাল, জেদী বা অন্তৰ্মুখী হোৱাৰ সম্ভাৱনা থাকে। পিতৃ-মাতৃয়ে কঠিন পৰিস্থিতি শান্তভাৱে চম্ভালিলে শিশুৱেও ভৱিষ্যতে ধৈৰ্য্যশীল হ'বলৈ শিকে। গতিকে, শিশুক ভাল শিক্ষা আৰু সুস্থ পৰিৱেশ দিয়াৰ আগতে পিতৃ-মাতৃ নিজেই আদৰ্শ ব্যক্তি আৰু সুচৰিত্ৰৰ অধিকাৰী হোৱাটো অত্যন্ত জৰুৰী।

প্ৰতিটো শিশুৰ মাজতে নিজস্ব কৌতূহলতা আৰু সৃষ্টিশীলতা গুণ নিহিত হৈ থাকে। সন্তানৰ ওপৰত মানসিক চাপ প্ৰয়োগ নকৰি তেওঁলোকৰ ইচ্ছা থকা ইতিবাচক ক্ষেত্ৰসমূহ পিতৃ-মাতৃয়ে নিৰীক্ষণ তথা সমৰ্থন কৰি সেই ক্ষেত্ৰসমূহত আগবাঢ়ি যাবলৈ সুযোগ দিয়াটো উচিত। শিশুৱে যেতিয়া নিজে ভালপোৱা ক্ষেত্ৰখনত কাম কৰাৰ সুযোগ পায়, নতুন বস্তু শিকা বা নতুন বিষয় অন্বেষণ কৰা সুবিধা পায়, তেতিয়া তেওঁলোকৰ একাগ্ৰতা, সৃজনীশীলতা আৰু সিদ্ধান্ত লোৱাৰ ক্ষমতা স্বতঃস্ফুৰ্তভাৱে বৃদ্ধি পাই গৈ থাকিব। এনে ক্ষেত্ৰত নতুন নতুন কথা জানিবলৈ আৰু শিকিবলৈ বিভিন্ন সঁজুলি, কিতাপ আদি যোগান দিয়াৰ লগতে নিৰ্দিষ্ট ক্ষেত্ৰখনত শিশুক প্ৰশিক্ষণৰ সুবিধা কৰি দিয়াটো পিতৃ-মাতৃৰ অন্যতম কৰ্তব্য। ইয়াৰ পৰিৱৰ্তে সন্তানৰ নিজা আগ্ৰহ আৰু প্ৰতিভাক গুৰুত্ব নিদি পিতৃ-মাতৃয়ে কেৱল নিজৰ অপূৰ্ণ সপোন আৰু ইচ্ছাবোৰ সন্তানৰ ওপৰত জোৰকৈ জাপি দিয়ে। ফলত সন্তানৰ প্ৰতিভা বিকাশত বাধাৰহে সৃষ্টি হয়। উদাহৰণস্বৰূপে, সাহিত্য বা চিত্ৰকলাৰ প্ৰতি প্ৰবল ধাউতি থকা এজন ল'ৰা বা এজনী ছোৱালীক যেতিয়া মাক-দেউতাকে বলপূৰ্বকভাৱে বিজ্ঞান বা অভিযান্ত্ৰিক শাখাত পঢ়িবলৈ বাধ্য কৰাই, তেতিয়া সেয়া তেওঁলোকৰ বাবে এক মানসিক বোজাহে হৈ পৰে। ফলস্বৰূপে তেওঁলোকৰ মাজত এক চিৰস্থায়ী হীনমান্যতা, মানসিক অৱসাদ আদিৰ সৃষ্টি হয় আৰু তেনে ল'ৰা-ছোৱালীয়ে জীৱনত স্বতঃস্ফূৰ্তভাৱে সফলতা অৰ্জন কৰাত বাধা আহি পৰে। গতিকে শিশু অৱস্থাৰ পৰাই মাক- দেউতাকে সন্তানৰ নিজস্ব প্ৰতিভাবোৰক গুৰুত্ব সহকাৰে লৈ তাৰ প্ৰতি সঠিক সহাঁৰি আৰু অনুপ্ৰেৰণা দিয়াটো আৱশ্যক।

বৰ্তমানৰ আধুনিক আৰু ডিজিটেল যুগত শিশুৰ ব্যক্তিত্ব গঠন কৰাটো পিতৃ-মাতৃৰ বাবে এটা ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। শেহতীয়া সময়ছোৱাত ম'বাইল, ইণ্টাৰনেট আৰু ছ'চিয়েল মিডিয়াৰ অতিমাত্ৰা প্ৰভাৱৰ বাবে শিশুসকল ক্ৰমান্বয়ে বাস্তৱ জগতখনৰ পৰা আঁতৰি এক কৃত্ৰিমতাৰ জগতত সোমাই পৰিছে, যাৰ ফলত তেওঁলোকৰ মাজত ধৈৰ্য্যহীনতা, একাকীত্ব, খঙাল মনোভাৱ, অসামাজিকতা আৰু অমনোযোগিতাৰ দৰে সমস্যাই দেখা দিছে। আনহাতে, আধুনিক জীৱনশৈলীত কৰ্মব্যস্ততাৰ বাবে পিতৃ-মাতৃয়ে সন্তানক পৰ্যাপ্ত গুণগত সময় দিব নোৱাৰাটোও এক ডাঙৰ সমস্যা হিচাপে দেখা দিছে। অৰ্থনৈতিক প্ৰয়োজনীয়তা পূৰণৰ বাবে বৰ্তমান সময়ত মাক আৰু দেউতাক দুয়ো ব্যস্ত হৈ থাকিবলগীয়া হয়। ইয়াৰ উপৰিও কৰ্মক্ষেত্ৰৰ তীব্ৰ প্ৰতিযোগিতা আৰু মানসিক চাপে তেওঁলোকক ঘৰলৈ অহাৰ পিছতো সন্তানৰ সৈতে মুকলিকৈ কথা পাতিবলৈ বা সময় কটাবলৈ মানসিক অৱকাশ নিদিয়ে। বৰ্তমানৰ যুগত যুটীয়া

*(বাৰপৃষ্ঠাত চাওক)*

# তামিলনাডুত স্থানীয় লোকৰ প্ৰহাৰত অসমৰ শ্ৰমিকৰ মৃত্যু

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাইজৰ প্ৰহাৰত প্ৰাণ হেৰুৱালে অসমৰ শ্ৰমিকে ।তামিলনাডুৰ থিৰুভাল্লু জিলাত সংঘটিত হৈছে এই ভয়ংকৰ ঘটনাটো। জনতাৰ প্ৰহাৰত প্ৰাণ ত্যাগ কৰা শ্ৰমিকজন দুধনৈৰ ৩৫ বছৰীয়া প্ৰসেনজিৎ দাস। বিগত ২৫ মে’ত তিনি বন্ধুৰ সৈতে চেন্নাইলৈ বুলি ঘৰৰ পৰা ওলাই যোৱা যুৱকজনৰ দুৰ্ভাগ্যজনক অকাল মৃত্যুক লৈ ৰাজ্যজুৰি এতিয়া তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, গোৱালপাৰা জিলাৰ দুধনৈৰ শিয়ালমাৰীৰ বাসিন্দা প্ৰসেনজিৎ দাস আছিল পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী। পত্নী, দুই কণমানি সন্তান আৰু মাতৃক সংহাৰত এৰি যোৱা দাসৰ মৃত্যুক লৈ এতিয়া সমগ্ৰ জিলাখনত ক্ষোভৰ সৃষ্টি হৈছে। ঘৰলৈ ভিডিঅ’ কল কৰি সহায় বিচাৰিছিল প্ৰসেনজিৎ দাসে। পৰিয়ালবৰ্গই জানিবলৈ দিয়া মতে, ২৫ মে’ত দাসে কৃষ্ণ দাস, অজয় দাস আৰু অঞ্জলি দাস নামৰ আন তিনিজন বন্ধুৰ সৈতে কৰ্মৰ সন্ধানত ঘৰৰ পৰা ওলাই গৈছিল। প্ৰাথমিক তদন্তত পোহৰলৈ অহা মতে, নিচাসক্ত অৱস্থাত দাসে পানী বিচৰাৰ অজুহাতত এগৰাকী মহিলাৰ বাসগৃহত গৈ তেওঁৰ সৈতে দুৰ্ব্যৱহাৰ কৰে বুলি অভিযোগ উত্থাপিত হৈছে । ইয়াৰ ফলত মহিলাগৰাকীয়ে নিজৰ সুৰক্ষাৰ বাবে দুৱাৰ বন্ধ কৰি ঘৰৰ ভিতৰলৈ সোমাই যায়। এগৰাকী মহিলাৰ পৰা খোৱাপানী বিচৰাক লৈয়ে সৃষ্টি হোৱা ভুল বুজাবুজিৰ বাবেই একাংশ উন্মাদপ্ৰায় লোকে তেওঁক নৃশংসভাৱে হত্যা কৰে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। আৰক্ষী সূত্ৰে লাভ কৰা তথ্য অনুসৰি এই নৃশংস হত্যাকাণ্ড সন্দৰ্ভত তামিলনাডু আৰক্ষীয়ে ১৬৩/২৬ নম্বৰত বিএনএছৰ ১০৩ (১) নম্বৰ ধাৰাৰ অধীনত গোচৰটো ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে। হত্যাকাণ্ডটোৰ সৈতে জড়িত থকা সন্দৰ্ভত ইতিমধ্যে তিনিজন লোকক তামিলনাডু আৰক্ষীয়ে গ্ৰেপ্তাৰো কৰিছে। একমাত্ৰ উপাৰ্জনকাৰীজনক হেৰুৱাই হতাশাত ভাগি পৰা প্ৰসেনজিৎ দাসৰ মৃতদেহ স্বগৃহলৈ ওভতাই অনাৰ বাবেও অক্ষম দুৰ্ভগীয়া পৰিয়ালটোৱে এইক্ষেত্ৰত ৰাজ্য চৰকাৰক অনুৰোধ জনাইছে।

## ৩ জুনৰ পাছত হ’ব

শেহতীয়া নিৰ্বাচনত ৮২ খন আসনেৰে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভৰ পাছতো বিজেপিয়ে দুই মিত্ৰদল অগপ আৰু বি পি এফক এটাতকৈ অধিক মন্ত্ৰীপদ দিব বিচৰা নাই বুলি ভিন্ন মহলত চৰ্চা হৈছে । যাৰ বাবে এতিয়াও মন্ত্ৰীসভাৰ সম্প্ৰসাৰণক লৈ বিজেপিৰ ভিতৰত উৎকণ্ঠা বৃদ্ধি পাইছে ।উল্লেখ্য যে বিগত বিধানসভা নিৰ্বাচনত ৰাজ্যবাসীৰ অভিলেখপূৰ্ণ সঁহাৰিৰে ১০২খন আসন লাভ কৰি পুনৰ ক্ষমতালৈ উভতি আহিছে বিজেপি নেতৃত্বাধীন এনডিএ। জনাদেশ লাভৰ পাছতে যোৱা ১২ মে’ত পুনৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে ড° শৰ্মাই। সেইদিনা মুখ্যমন্ত্ৰী ড° শৰ্মাৰ লগত শপত লৈছিল বিজেপিৰ ৰামেশ্বৰ তেলী, অজন্তা নেওগ, অগপৰ অতুল বৰা আৰু বিপিএফৰ চৰণ বড়োৱে। এতিয়া মন্ত্ৰীসভাৰ খালী পদকেইটাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই কোন কোন বিধায়কক বাছনি কৰে সেয়া লক্ষণীয় হ’ব।

## গ্ৰেডিঙৰ বিৰোধিতা

নেপেলায় আৰু সেই বিষয়ৰ পৰীক্ষাও শিক্ষা পৰিষদৰ পৰিৱৰ্তে শিক্ষানুষ্ঠানখনেই অনুষ্ঠিত কৰিব বুলি ব্যাখ্যা আগবঢ়ায়। বিষয়টোৰ বুজ লৈ এই সন্দৰ্ভত পুনৰ আলোচনাৰ পোষকতা কৰোঁ। শিক্ষা পৰিষদে গ্ৰেডিং ব্যৱস্থাৰ প্ৰৱৰ্তন কৰাৰ কথা ঘোষণা কৰিছিল। এই ঘোষণাই ছাত্ৰ-ছাত্ৰীৰ মনত নম্বৰ প্ৰদান ব্যৱস্থা বিলুপ্ত হ’ব নেকি বুলি প্ৰশ্ন আৰু শংকাৰ সৃষ্টি কৰিছিল। আছুৱে নম্বৰ প্ৰদান ব্যৱস্থা বাহাল থাকিব লাগিব বুলি দৃঢ়ভাবে দাবী উত্থাপন কৰিছিল। আছুৰ সৈতে হোৱা আলোচনাত শিক্ষা পৰিষদে স্পষ্টভাৱে কয় যে গ্ৰেডিং প্ৰৱৰ্তন কৰা সন্দৰ্ভত এতিয়ালৈ কোনো সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই। নম্বৰ প্ৰদান ব্যৱস্থাই বাহাল থাকিব। আলোচনা কালত প্ৰতিযোগিতাৰ পৃথিৱীত আমাৰ ছাত্ৰ-ছাত্ৰী আগবাঢ়ি যাব পৰাকৈ, সংস্থাপনৰ ক্ষেত্ৰত পথৰ সন্ধান পোৱাকৈ পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ প্ৰয়োজনীয় সালসলনিৰ বাবে আছুৱে শিক্ষা পৰিষদক আহ্বান জনায়। আছুৰ প্ৰতিনিধি দলটোত শিক্ষা সম্পাদক টুটুমণি কলিতা, ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ সদস্য ক্ৰমে জিতেন দাস, ৰূপম দাস, অলকেশ নাথ আৰু বিমান হালৈ উপস্থিত থাকে।

## বিৰোধী দলপতি

বিৰোধী দল কংগ্ৰেছৰ ১৯জন বিধায়ক নিৰ্বাচিত হৈ আহিছে আৰু ইয়াৰে ১৮জনেই সংখ্যালঘু মিঞা-মুছলমান সম্প্ৰদায়ৰ। বিধানসভাৰ প্ৰথম অধিৱেশন আৰম্ভ হোৱাৰ পিছতো কংগ্ৰেছে নিজৰ বিধায়িনী দলৰ নেতা নিৰ্বাচিত কৰিব পৰা নাছিল। এই প্ৰসংগক লৈ শাসকীয় দলৰ বিধায়কসকলেও কংগ্ৰেছ দলক কঠোৰ সমালোচনাৰে উপহাস কৰি কংগ্ৰেছ দলটো মিঞাৰ দল, কংগ্ৰেছ দলটো কংগ্ৰেছ (আৰ) দল বুলি কটাক্ষ কৰিছিল। কিন্তু ইয়াৰ মাজতে মঙলবাৰে নিশাৰ ভাগলৈ কংগ্ৰেছ হাইকমাণ্ডে জ্যেষ্ঠ বিধায়ক ৰাজেদ আলী চৌধুৰীক বিৰোধী দলপতি হিচাপে নিযুক্তি দিয়ে।

## বিধানসভাত গৃহীত হ’ল ইউচিচি

বহু আঁতৰত থাকি নিজৰ দুখ আৰু দুৰ্দশাৰ জীৱন কটাইছিল। যিসকল ছোৱালীক ২১-২২ বছৰতে ৩-৪টা সন্তানৰ মাতৃত্ব ল’বলৈ বাধ্য কৰোৱা হয়, সেইসকল ভগ্নীলৈ এই ইউচিচি এক শ্ৰদ্ধাঞ্জলি। মাত্ৰ তিনিটা শব্দ-তালাক তালাক তালাক, যাৰ জীৱনলৈ অন্ধকাৰৰ অমাৱস্যা নমাই আনে সেই মাতৃশক্তিৰ প্ৰতি ইউচিচি আমাৰ শ্ৰদ্ধাঞ্জলি। ইয়াৰ পূৰ্বে ইউচিচি বিধেয়কখন সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই বিৰোধী কংগ্ৰেছক তুলাধুনা দি কয়-কংগ্ৰেছে এতিয়া কেবল এটা বিশেষ ধৰ্মীয় গোষ্ঠীক প্ৰতিনিধিত্ব কৰে। কংগ্ৰেছৰ বিধায়কসকলে ইউচিচি প্ৰসংগত কোৰান-চৰিয়তৰ কথা কৈছে। কিন্তু এবাৰো তেওঁলোকৰ মুখত গীতা-ভাগৱতৰ কথা ওলোৱা নাই। অসম বিধানসভাত আহিবলগা দিনসমূহত জাতি-জনগোষ্ঠী, বিভিন্ন ধৰ্মৰ লোকসকলক কংগ্ৰেছে যে প্ৰতিনিধিত্ব নকৰে, সেয়া তেওঁলোকৰ বক্তব্যত স্পষ্ট হৈছে। লোকপ্ৰিয় গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, শৰৎ চন্দ্ৰ সিংহ, তৰুণ গগৈ, হিতেশ্বৰ শইকীয়া, ফখৰুদ্দিন আলী আহমেদ এই আটাইবোৰে নেতৃত্ব দিয়া কংগ্ৰেছ দল কেতিয়াবা যে মাত্ৰ এটা বিশেষ ধৰ্মক প্ৰতিনিধিত্ব কৰা মঞ্চলৈ ৰূপান্তৰ হ’ব সেয়া সঁচাকৈ আমাৰ বাবে দুঃখদায়ক ঘটনা। মুখ্যমন্ত্ৰীয়ে কয়- মই আশা প্ৰকাশ কৰিম, আমি যি ধৰ্মকেই প্ৰতিনিধিত্ব নকৰোঁ কিয়, আমাৰ বক্তব্যই সৰ্বধৰ্মক প্ৰতিনিধিত্ব কৰাৰ প্ৰয়োজন, সৰ্বসমাজক প্ৰতিনিধিত্ব কৰাৰ প্ৰয়োজন। ইউচিচিক লৈ কংগ্ৰেছৰ প্ৰতিজন বিধায়কে কেৱল কোৰান আৰু চৰিয়তৰ কথা ক’লে। এইখন ভাৰতত যদি কোৰানক আমি সন্মান কৰোঁ, একেজন ব্যক্তিয়ে বাইবেলকো সন্মান কৰে, ভাগৱত-গীতাকো সন্মান কৰে। মই ভাবোঁ, কংগ্ৰেছে নিজকে এটা সাম্প্ৰদায়িক দললৈ ৰূপান্তৰিত হোৱাৰ পৰিৱৰ্তে ভাৰতত ধৰ্মনিৰপেক্ষ চৰিত্ৰটো নিশ্চিতভাৱে পালন কৰিবলৈ চেষ্টা কৰিব। মোৰ ধৰ্ম ইছলাম হ’ব পাৰে, কিন্তু বিধানসভাত ইছলামক প্ৰতিনিধিত্ব নকৰোঁ, কেৱল গণতন্ত্ৰকহে প্ৰতিনিধিত্ব কৰোঁ। সদনত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ইউচিচিৰ এক সুদীৰ্ঘ ইতিহাস আছে। দেশৰ জনতাই এখন সমৰূপ নাগৰিক সংহিতাৰ কাৰণে ১৯২৫ চনৰ পৰাই কাম কৰি আহিছিল। তেতিয়া বিজেপি আৰু জনসংঘৰ জন্মই হোৱা নাছিল। অৰ্থাৎ সমান নাগৰিক সংহিতাৰ আহ্বান, প্ৰয়োজনীয়তা বিজেপি আৰু জনসংঘৰ বহু আগৰে পৰা ভাৰতীয় জাতীয় কংগ্ৰেছ দলে আৰম্ভ কৰিছিল। ইউচিচিৰ দাবী উত্থাপন হৈছিল ভাৰতীয় কংগ্ৰেছৰ মঞ্চৰ পৰাই। এখন উমৈহতীয়া নাগৰিক সংহিতা অনাটো বিজেপি বা আৰএছএছৰ প্ৰচেষ্টা নহয়। ক’ৰবাত নহয় ক’ৰবাত জাতীয় কংগ্ৰেছৰ নেতাসকলে স্বাধীনতাৰ দোকমোকালিতে দেশত এখন ইউচিচিৰ সপোন দেখিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ আজি গোপীনাথ বৰদলৈৰ কংগ্ৰেছ নাই, ড° ৰাজেন্দ্ৰ প্ৰসাদৰ কংগ্ৰেছ নাই, চৰ্দাৰ বল্লভ ভাই পেটেলৰ কংগ্ৰেছ নাই, যাৰ কাৰণে কংগ্ৰেছে আজি ধৰ্মনিৰপেক্ষতাৰ কথা কোৱাৰ সাহস হেৰুৱাই পেলাইছে। আজি কংগ্ৰেছে কেৱল কোৰান আৰু চৰিয়তক প্ৰতিনিধিত্ব কৰিছে। কোৰান আৰু চৰিয়তক প্ৰতিনিধিত্ব কৰাৰ দায়িত্ব আছিল মুছলিম লীগৰ। কংগ্ৰেছৰ দায়িত্ব আছিল কংগ্ৰেছক প্ৰতিনিধিত্ব কৰা। মুখ্যমন্ত্ৰীয়ে পুনৰ কয়- ইউচিচিয়ে মুখ্যতঃ বিবাহ আৰু বিবাহ বিচ্ছেদৰ দিশটোক নিয়ন্ত্ৰণ কৰিব। ইউচিচিৰ জৰিয়তে উত্তৰাধিকাৰী সূত্ৰে সম্পত্তি লাভ কৰাৰ যি পৰম্পৰা তথা আইনী প্ৰক্ৰিয়া তাক সুচল কৰিব, লিভ-ইন ৰিলেচনশ্বিপৰ ব্যৱস্থাৰ গোটেইবিলাক দিশ সন্নিৱিষ্ট কৰা হৈছে। ইউচিচিৰ মূল উৎসটো হৈছে ভাৰতীয় সংবিধানৰ ৪৪নং অনুচ্ছেদ। অৰ্থাৎ ৪৪নং অনুচ্ছেদক আগত লৈয়েই ইউচিচি অনা হৈছে। এই বিধেয়কখনৰ জৰিয়তে ক’ব খোজা হৈছে যে আমাৰ ৰাজ্যখনত বাল্যবিবাহক স্বীকৃতি দিয়া নহ’ব। অৰ্থাৎ এগৰাকী ছোৱালীৰ বিয়াৰ বাবে ন্যূনতম বয়স হ’ব ১৮ বছৰ আৰু এজন ল’ৰাৰ বিবাহৰ বয়স হ’ব ২১ বছৰ। বিধেয়কখনৰ জৰিয়তে ধৰ্মনিৰপেক্ষ কেৱল এগৰাকী যুৱতীকহে বিয়া কৰোৱাৰ অধিকাৰ পাব। ইফালে সদনত ইউচিচিক বিৰোধিতা কৰি কংগ্ৰেছৰ বিধায়িকা বেবী বেগমে দিয়া বক্তব্যক তীব্ৰ সমালোচনা কৰি মুখ্যমন্ত্ৰীয়ে সদনত কয়- কোনোবাই যেতিয়া কয়- ডাঙৰজনী পত্নীৰ বেমাৰ হ’লে দ্বিতীয় এগৰাকী বিয়া কৰোৱাৰ অনুমতি দিব লাগে, তাতকৈ দুৰ্ভাগ্যজনক বিষয় একোৱেই হ’ব নোৱাৰে। এগৰাকী মহিলাক এজন পুৰুষে ঈশ্বৰক সাক্ষী কৰি বিয়া কৰাই লৈ অহাৰ পিছত যদি পত্নীগৰাকী দুৰ্ঘটনাত পতিত হৈ হাত আৰু ভৰি চিৰদিনৰ বাবে ঘুণীয়া হয়, তেন্তে দ্বিতীয়গৰাকী বিয়া কৰাব নেকি? ইয়াতকৈ দুৰ্ভাগ্যৰ কথা সভ্য সমাজৰ বাবে আন কি হ’ব পাৰে? যদি এগৰাকী বিধায়িকাই পত্নীৰ বেমাৰৰ বাবে আন এগৰাকী বিয়া কৰোৱাৰ কথা ক’ব পাৰে, মই ভাবোঁ সভ্য সমাজত ইয়াতকৈ দুৰ্ভাগ্যজনক কথা আন একো হ’ব নোৱাৰে। হিন্দু ধৰ্ম অনুসৰি আমাৰ সভ্যতাই শিকায় পত্নী আৰু পুৰুষৰ সম্পৰ্ক বহু জনমৰ পৰা নিৰ্ধাৰিত হৈ আহে। ইফালে আজি সদনত ইউচিচি গৃহীত হোৱাৰ পাছতে সামাজিক মাধ্যমত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰিছে যে সমনাগৰিক সংহিতা কেৱল এক ৰাজনৈতিক বিতৰ্ক হৈ আছিল কিছু দশক আগলৈকে। কিন্তু আজি অসমে এই চিন্তাধাৰাক বাস্তৱ ৰূপ দিলে। সংবিধানৰ অনুচ্ছেদ ৪৪-এ যি সমতা আৰু ন্যায়ভিত্তিক নাগৰিক ব্যৱস্থাৰ সপোন দেখুৱাইছিল, অসম সমনাগৰিক সংহিতাৰ সেই সপোন বাস্তৱৰ দিশত এক ঐতিহাসিক পদক্ষেপ। এই আইন আমাৰ আদৰ্শ, আমাৰ প্ৰতিশ্ৰুতি আৰু এখন অধিক ন্যায়ভিত্তিক সমাজ গঢ়াৰ অংগীকাৰৰ এক সুস্পষ্ট প্ৰতিফলন। মুখ্যমন্ত্ৰীয়ে ইয়াকো উল্লেখ কৰিছে যে এই আইন কোনো ধৰ্মৰ বিৰুদ্ধে নহয়, কোনো সম্প্ৰদায়ৰ অধিকাৰ হননৰ প্ৰয়াসো নহয়। বৰং এই আইনে নিশ্চিত কৰিব বিবাহ, বিবাহ বিচ্ছেদ, উত্তৰাধিকাৰ, ভৰণ-পোষণ আদি চিন্তনীয় বিষয়ত সকলো নাগৰিকৰ আইনৰ দৃষ্টি সমমৰ্যাদা লাভ।

# নতুন দিল্লীত ৯ জন

ফলস্বৰূপে এই গেঙৰ সদস্যসকল ধৰা পৰে। এই অভিযানৰ অংশ হিচাপে মুম্বাইৰ কুড়লাৰ পৰা ছাজিদ মেহমুদ শ্বেইখ ওৰফে আৱবাছ খান আৰু মুম্ব্ৰাৰ পৰা তৌকিৰ ৰিজৱান শ্বেইখক গ্ৰেপ্তাৰ কৰা হয়। দুয়োকে পৰৱৰ্তী তদন্তৰ বাবে দিল্লীলৈ অনা হৈছে। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, ধৃত দুই সন্ত্ৰাসবাদীক দিল্লীলৈ যাবলৈ নিৰ্দেশ দিয়া হৈছিল, য'ত তেওঁলোকক পৰৱৰ্তী আক্ৰমণৰ লক্ষ্যস্থান বাছনি কৰি দিয়াৰ কথা আছিল। এই সমগ্ৰ কাৰ্যসূচী আৰু ভ্ৰমণৰ বাবে দুয়োজন সন্ত্ৰাসবাদীক বৃহৎ পৰিমাণৰ ধন দিয়া হৈছে। মুম্বাইৰ কুড়লা আৰু মুম্ব্ৰা অঞ্চলত চলোৱা যুটীয়া অভিযানত আণ্ডাৰ ৱৰ্ল্ডৰ ডন ডাউদ ইব্ৰাহিম আৰু পাকিস্তানৰ চোৰাংচোৰা সংস্থা আইএছআইৰ মাজৰ গভীৰ সম্পৰ্ক পুনৰ উদঙাই দিছে। ধৃত লোককেইজনৰ পৰা বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ, হেণ্ড গ্ৰেনেড আৰু বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰা হৈছে। উদ্ধাৰ হোৱা সামগ্ৰীসমূহৰ ভিতৰত কিছুমান অস্ত্ৰ-শস্ত্ৰও আছে, যিবোৰ বৃহৎ আক্ৰমণত ব্যৱহাৰ কৰিব পৰা গ'লহেঁতেন বুলি তদন্তকাৰীয়ে বিশ্বাস কৰে। উদ্ধাৰ হোৱা অস্ত্ৰভাণ্ডাৰৰ পৰা স্পষ্ট যে অভিযুক্তসকলৰ এটা সুসংগঠিত আৰু দীৰ্ঘম্যাদী পৰিকল্পনা আছিল। ধৃত ৯জনৰ ভিতৰত নেপালী মূলৰ লোকো আছে। দিল্লী আৰক্ষীৰ এক সূত্ৰই সদৰী কৰা মতে, ভাৰতত দীৰ্ঘদিন ধৰি পাকিস্তানী চোৰাংচোৰাই এই মডিউলটো গঢ়ি তুলিছিল। সন্ত্ৰাসবাদী গোটটোৰ মূল লক্ষ্য আছিল দেশৰ পাৰমাণৱিক প্ৰকল্প, বিমানকোঠ, ৰে'ল ষ্টেচন আৰু বিদ্যুৎ প্ৰকল্পসমূহ। বিগত কেইবামাহো ধৰি এই গোটটোক চোৰাংচোৰাই তীব্ৰ নজৰত ৰাখিছিল। বৰ্তমান তেওঁলোকৰ আন্তঃৰাষ্ট্ৰীয় সংযোগ, ধনৰ উৎস আৰু বিদেশত থকা মাষ্টাৰমাইণ্ডসকলৰ ভূমিকা সন্দৰ্ভত তদন্ত চলাই থকা হৈছে। সম্ভাব্য আক্ৰমণৰ তথ্য পোহৰলৈ অহাৰ পাছতে দিল্লীত হাই এলাৰ্ট জাৰি কৰা হৈছে। চলিত মাহৰ আৰম্ভণিতে নিৰাপত্তা সংস্থাসমূহে আত্মঘাতী আক্ৰমণ, আইইডি বিস্ফোৰণ আৰু ধাৰাবাহিক গুলীচালনাৰ জৰিয়তে দিল্লীৰ গুৰুত্বপূৰ্ণ কাৰ্যালয় আৰু জনাকীৰ্ণ অঞ্চলসমূহ লক্ষ্য কৰি লোৱাৰ পৰিকল্পনা কৰি লোৱা বুলি সতৰ্কবাণী লাভ কৰিছিল। ইয়াৰ পিছতে সকলো জিলা আৰক্ষী গোটক কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ সৈতে সমন্বয় ৰক্ষা কৰি তীক্ষ্ণ নজৰ ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে।

# গাহৰি মাংস বিক্ৰীত

অহা ২৯ মে'ৰ ভিতৰত সকলো গাহৰি নিধন কৰিব পশুপালন বিভাগে। পশুপালন বিভাগৰ জাননীৰ পাছতে তিনিচুকীয়া জিলাৰ উপায়ুক্তই এ এছ এফ নিয়ন্ত্ৰণ আৰু নিৰ্মূলৰ পৰিকল্পনা কাৰ্যকৰী কৰাৰ বাবে ২৭ মে'ৰ পৰা ২৯ মে'লৈ তিনিদিন সময় লৈ গাহৰি নিধনৰ প্ৰস্তুতি আৰম্ভ কৰিছে। জানিব পৰা মতে, শদিয়াৰ পৰা অন্য চুবুৰীয়া জিলালৈ তথা অৰুণাচল প্ৰদেশলৈ যাতে ছোৱাইন ফ্লু সংক্ৰামক হ'ব নোৱাৰে তাক লৈ বিশেষ নজৰ দিছে জিলা প্ৰশাসনে। অৰুণাচললৈ গাহৰিৰ সৰবৰাহ বন্ধ কৰাৰ লগতে পঞ্জাব, হাৰিয়ানাৰ পৰা গাহৰি সৰবৰাহৰ ক্ষেত্ৰতো বিশেষ সতৰ্কতা পালন কৰা হৈছে। আনহাতে, নিৰ্দেশনাত উল্লেখ কৰা মতে, কোনো ব্যক্তিয়ে এই আদেশ উলংঘা কৰিলে ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা চঞ্চ্ৰ অধীনত আইনী ব্যৱস্থা লোৱা হ'ব।ইয়াৰোপৰি ৰাইজে এই ক্ষেত্ৰত শুপালন বিভাগৰ হেল্পলাইন নম্বৰ ১৯৬২ আৰু জিলা নিয়ন্ত্ৰণ কক্ষৰ নম্বৰ ০৩৭৪-২৩৩১০০০ ত যোগাযোগ কৰিব পাৰিব বুলিও উল্লেখ কৰা আছে।

# এচিএছ বিষয়া লাচিত

দুৰ্নীতিগ্ৰস্ত বিষয়াজনৰ বেলতলাস্থিত কুইন গাৰ্ডেন এপাৰ্টমেণ্টৰ ফ্লেটত অভিযান চলাই নিৰীক্ষণ আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ে ৪৮, ৩৮, ১৫০ টকা জব্দ কৰিছিল। পৰৱৰ্তী সময়ত একেটা এপাৰ্টমেণ্টতে দাসৰ খুলশালীয়েক থকা ফ্লেটত জব্দ কৰা হৈছিল ১.১৭ কোটি টকা। অকল ইমানেই নহয়, অভিযানকালত উদ্ধাৰ হোৱা দাসৰ ৯টা বেংক একাউণ্টত প্ৰায় ৮১ লাখ টকা পোৱা গৈছে। অৰ্থাৎ জব্দ কৰা মুঠ ধনৰ পৰিমাণ হ'ল প্ৰায় ২.৪৭ কোটি টকা। তদুপৰি দুৰ্নীতিৰে আহৰণ কৰা বৃহৎ পৰিমাণৰ ধন বিনিয়োগৰো নথি-পত্ৰ পাবলৈ সক্ষম হৈছে অভিযানকাৰী দলে। সেইদৰে ৭২ লাখ টকাৰো অধিক মূল্যৰ সোণ আৰু গুৱাহাটীকে ধৰি ভিন্ন স্থানত থকা ভূ-সম্পত্তিৰ নথিও ইতিমধ্যে জব্দ কৰা হৈছে। ইফালে বিশেষ ন্যায়াধীশৰ আদালতে কালি ধৃত এচিএছ বিষয়াজনক ৪ দিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰে। জিম্মাত পোৱাৰ পিছতে গোচৰটোৰ অনুসন্ধানকাৰী সংস্থা নিৰীক্ষণ আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ে দাসক মাৰাথন জেৰা চলাই আছে।

# আজি আহমেদাবাদত

থকা ৰজত পাটিদাৰ নেতৃত্বাধীন আৰচিবিয়ে খিতাপ অক্ষুণ্ণ ৰখাৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। শুকুৰবাৰে নিউ চণ্ডীগড়ত ৰাজস্থান ৰয়েলছৰ বিপক্ষে অনুষ্ঠিত দ্বিতীয় খন কোৱালিফায়াৰত অধিনায়ক গিলে দৰ্শনীয় শতক অৰ্জন কৰি দলটোৰ জয়ত মুখ্য ভূমিকা লয়। প্ৰতিযোগিতাখনত গিলে এতিয়ালৈকে ৬টা অৰ্ধশতক আৰু এটা শতক অৰ্জন কৰি নিজকে দুৰ্দান্ত ফৰ্মত থকাৰ ইংগিত দিছে। আজিৰ বহু প্ৰতীক্ষিত ফাইনেল মেচখন ৰোমাঞ্চকৰ হৈ উঠাটো নিশ্চিত। অৱশ্যে গুজৰাটৰ চিন্তাৰ কাৰণ হৈছে বিৰাট কোহলি, টীম ডেভিড, ক্ৰুনাল পাণ্ডিয়া, ভেংকটেশ আয়াৰ, ৰজত পাটিদাৰৰে গঠিত বেটিং- লাইন। তাৰোপৰি বলিঙৰ ক্ষেত্ৰতো দলটো যথেষ্ট ভাৰসাম্য থকা দল। অভিজ্ঞ বলাৰ ভুৱনেশ্বৰ কুমাৰ, ৰোমাৰিঅ' ছেফাৰ্ড, হেজেলউডে নিজৰ দিনত সদায়ে যে ভয়াৱহ সেই কথা বিগত মেচসমূহত দি থৈছে। স্পীন আক্ৰমণত আছে সুয়স শৰ্মা। ইফালে গৃহচহৰত খেলাৰ হেতু আজি ঘৰুৱা দৰ্শকৰ সমৰ্থন পাব গুজৰাটে। আনহাতে, গুজৰাট টাইটানছৰ বেটিং নিৰ্ভৰ কৰিব অধিনায়ক গিলৰ লগতে সাই সুদৰ্শন আৰু জ'ছ বাটলাৰৰ ওপৰত। বলিঙৰ দায়িত্ব থাকিব মহম্মদ চিৰাজ, কাগিছ' ৰাবাডা আৰু প্ৰসিদ্ধ কৃষ্ণৰ ওপৰত।

# দিছপুৰত মেঘালয়ৰ মুখ্যমন্ত্ৰী

মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে । মুখ্যমন্ত্ৰীয়ে কয়, "ভাৰতৰ অষ্টলক্ষ্মীৰ অন্যতম মূল অংশীদাৰ অসম আৰু মেঘালয়। আজি লোকসেৱা ভৱনত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাক আদৰণি জনাবলৈ পাই আমাৰ আনন্দিত হৈছোঁ। সৌহাৰ্দ্যপূৰ্ণ সাক্ষাৎকালত অসম-মেঘালয় সীমান্ত বিষয়কে ধৰি বিভিন্ন আন্তঃৰাজ্যিক প্ৰসংগত এক গঠনমূলক আলোচনা কৰা হয়। এই আলোচনাত বহুদিনীয়া কিছুমান গুৰুত্বপূৰ্ণ বিষয়ত ইতিবাচক অগ্ৰগতি আৰু সীমান্ত নিৰ্ধাৰণ প্ৰক্ৰিয়াক অধিক ত্বৰান্বিত কৰি এই সমস্যাৰ এক স্থায়ী সমাধানৰ দিশে আগবাঢ়িবলৈ আমি একমত হওঁ। 'এক ভাৰত, শ্ৰেষ্ঠ ভাৰত'ৰ চেতনাৰে অসম আৰু মেঘালয়ে বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰাৰ লগতে অষ্টলক্ষ্মী অঞ্চলৰ বিকাশ অধিক ত্বৰান্বিত কৰিব পৰা নতুন সম্ভাৱনাসমূহো অন্বেষণ কৰি আছে। এই আলোচনা দুয়ো চুবুৰীয়া ৰাজ্যৰ মাজত শান্তি, পাৰস্পৰিক সন্মান আৰু সহযোগিতামূলক ব্যৱস্থাৰ প্ৰতি থকা দৃঢ় অংগীকাৰৰ প্ৰতিফলন। এই ধাৰা অব্যাহত ৰাখি সকলো অমীমাংসিত বিষয় আলোচনাৰ জৰিয়তে সমাধানৰ বাবে আমি পুনৰ দৃঢ় সংকল্প গ্ৰহণ কৰোঁ। বিশ্বাস, সম্প্ৰীতি আৰু উন্নয়নৰ এই বান্ধোন ভৱিষ্যতৰ দিনত আৰু অধিক শক্তিশালী হৈ থাকিব।" আনহাতে সামাজিক মাধ্যমযোগে মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই কয়, "অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে সাক্ষাৎ কৰি লাপাংগাপবাসী ৰাইজে সন্মুখীন হোৱা উদ্বেগ আৰু চুবুৰীয়া গাঁওসমূহৰ মাজত থকা উত্তেজনাৰ বিষয়ে আলোচনা কৰো। উত্তেজনা লাঘৱ কৰাৰ লগতে শান্তি আৰু আইন-শৃংখলা বজাই ৰখাৰ ব্যৱস্থাৰ ওপৰত আমাৰ গঠনমূলক আলোচনা হয়। মেঘালয় আৰু অসম উভয় পক্ষৰ বাসিন্দাসকলক শান্তি বজাই ৰাখিবলৈ আমি আহ্বান জনাইছো। আমি সীমান্ত সমস্যাৰ স্থায়ী সমাধানৰ বাবে গঠনমূলক পদক্ষেপ গ্ৰহণ কৰিব বিচাৰিছো। সীমান্ত অঞ্চলত বাস কৰা লোকসকলৰ স্বাৰ্থত, ভৱিষ্যতে আমাৰ উদ্বেগসমূহ যৌথভাৱে সম্বোধন কৰি উত্তেজনা হ্ৰাস কৰাৰ দিশত একেলগে কাম কৰাৰ আশ্বাস দিয়াৰ বাবে হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতি আমি কৃতজ্ঞ।" মন কৰিবলগীয়া যে ১৯৭২ চনত মেঘালয় গঠন হোৱাৰ পিছতেই দশক দশক ধৰি চলি থকা দুয়ো ৰাজ্যৰ সীমা বিবাদ ২০২১ চনত মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পিছত ড° হিমন্ত বিশ্ব শৰ্মাৰ একক প্ৰচেষ্টাত সমাধানৰ দিশে আগবাঢ়িছে। ৬টা স্থানত দুয়োখন ৰাজ্যই সীমা সমস্যা সমাধান কৰাৰ পাছত বিবদমান আন স্থানক লৈ অচিৰেই আলোচনাত মিলিত হোৱাৰো সম্ভাৱনা আছে।

# আদালতত শ্যামকানু-শেখৰজ্যোতিৰ

মিতালী ঠাকুৰীয়াৰ আদালতে যোৱা ২২ মে' আৰু ২৫ মে'ত শ্যামকানু মহন্তৰ অধিবক্তা তথা চৰকাৰী পক্ষৰ অধিবক্তাৰ শুনানি দুটা পৰ্যায়ত সম্পন্ন কৰে। শ্যামকানু মহন্তৰ জামিন কিয় নাকচ হ'ল সেই বিষয়ে সংবাদ মাধ্যমৰ আগত ব্যাখ্যা কৰে ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিৎ লন শইকীয়াই। সংবাদ মেলত মহাধিবক্তা শইকীয়াই প্ৰকাশ কৰা অনুসৰি জামিন লাভ কৰিলে শ্যামকানু মহন্ত বিদেশলৈ পলাই যোৱাৰ আশংকা আছে আৰু ইয়াৰ দ্বাৰা মহন্তই গোচৰৰ সাক্ষীসকলক প্ৰভাৱিত কৰিব পাৰে। আদালতৰ ৰায়ত উল্লেখ কৰা তথ্য অনুসৰি মহাধিবক্তা শইকীয়াই শ্যামকানু মহন্তৰ আন কেতবোৰ কু-অধ্যায়ৰ কথাও সদৰী কৰে। মহাধিবক্তাগৰাকীয়ে জনাই যে গ্ৰেপ্তাৰৰ পূৰ্বে শ্যামকানু মহন্তই অন্য এগৰাকী অভিযুক্ত অমৃতপ্ৰভা মহন্তক আৰক্ষীৰ আগত কি ক'ব লাগিব, কি ক'ব নালাগিব সেয়া শিকাই দিছিল। তদুপৰি শ্যামকানু মহন্তই তেওঁৰ লেপটপ আৰু ম'বাইলৰ পৰা সকলো তথ্য ডিলিট কৰিছিল। পৰৱৰ্তী সময়ত অসম আৰক্ষীয়ে এই সমস্ত তথ্য বহু কষ্টেৰে পুনৰুদ্ধাৰ কৰিছিল। মহাধিবক্তাগৰাকীয়ে কয় যে শ্যামকানু মহন্ত জামিনত মুকলি হ'লে সাক্ষীক পুনৰ প্ৰভাৱিত কৰি গোচৰ বিপথে নিব পাৰে। এনেবোৰ কাৰণতে আদালতে শ্যামকানু মহন্তৰ জামিন নাকচ কৰাৰ কথা সদৰী কৰে মহাধিবক্তাগৰাকীয়ে। ইফালে শুকুৰবাৰৰ এই শুনানি সন্দৰ্ভত জ্যেষ্ঠ অধিবক্তা জিয়াউৰ কামাৰে কয়, শ্যামকানু মহন্তৰ জামিন আবেদন খাৰিজ কৰা হৈছে। লগতে অমৃতপ্ৰভা মহন্ত, সন্দীপন গাৰ্গ, নন্দেশ্বৰ বৰা, পৰেশ বৈশ্যৰ জামিন আবেদনৰ শুনানি সম্পন্ন হৈছে। ৮ জুনলৈ ৰায় ঘোষণা কৰা হ'ব। লগতে অধিবক্তাগৰাকীয়ে কয়, সকলোৱে ভাবিছিল ই এটা দুৰ্ঘটনাজনক মৃত্যু। সমগ্ৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ভালদৰে তদন্ত কৰিছিল, যাৰ বাবে আমিও গোচৰটো ভালদৰে আগবঢ়াই নিব পাৰিছো। এতিয়া কেৱল এটা পৰ্যায় আৰু মূল পৰ্যায়টোত সাক্ষীবাদী হ'ব। এই সকলোবোৰ চাইহে আদালতে ৰায়দান দিব। ফাষ্টট্ৰেকত এবছৰৰ বাবে আছে। আমি যিমান পাৰো সোনকালে কৰিবলৈ চেষ্টা কৰিম। আজি আদালতত তেওঁলোকৰ এটা যুক্তি কৈছিল ৩৪৯ গৰাকী সাক্ষী আছে যিহেতু বহুত সময় লাগিব । তেতিয়া আমি দুটা কথাই কৈছিলো যে ৩৪৯ গৰাকী সাক্ষীৰ ভিতৰত ৭০ খনমান এজাহাৰেই আছে । এখন এখন এজাহাৰ কোনোবাই এটাকৈ ফাইল কৰিছে, কোনোবাই তিনিটাকৈ ফাইল কৰিছে । গতিকে সেইসমূহ কিছু কম কৰিম বুলি ভাবিছো, কাৰণ ইমানবোৰৰ প্ৰয়োজন নাই। মৰিগাঁৱৰ পৰা যিখন এজাহাৰ দিছিল সেইখনেই মূল এজাহাৰ। লগতে কিছুমান এজাহাৰ বেছ ভালকৈ দিছিল তেওঁলোককো মাতিব লাগিব। তথাপি আমি ফিল্টাৰ কৰি কমাই ল'ম যাতে গোচৰটো সোনকালে আগবাঢ়ি যায় আৰু সোনকালে ন্যায় পায়। প্ৰবাসী অসমীয়াৰ সাক্ষী সন্দৰ্ভতো অধিবক্তাগৰাকীয়ে মন্তব্য কৰে।প্ৰবাসী অসমীয়া সাক্ষীসকল আহিব বুলি আশা প্ৰকাশ কৰি অধিবক্তাগৰাকীয়ে কয়, তেওঁলোক আহিবই লাগিব। তেওঁলোকক চমন দিব লাগিব। তেওঁলোকে সহযোগ কৰিব বুলি আশা কৰিছো।

ENGLISH NEWS SECTION

# Assam Governor leads an Indian delegation carrying Holy Relics of Lord Buddha's close Disciples to Mongolia



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya is leading an Indian delegation accompanying the Holy Relics of Lord Buddha's two principal disciples namely Arhant Sariputra and Arhant Maudgalyayana to Mongolia for a sacred exposition, which is organised under the aegis of the Ministry of Culture, Government of India. The revered relics, preserved at the Sanchi Vihar Chaitya of Madhya Pradesh are being taken to Mongolia and will be kept there till June 9, 2026, in a landmark spiritual and cultural sojourn aimed at further deepening the centuries old civilisational ties between India and Mongolia. The Holy Relics, originating from the UNESCO World Heritage Site of Sanchi Stupa, hold immense spiritual significance for Buddhists across the world. The initiative has been undertaken at the special instance of Prime Minister Shri Narendra Modi as part of India's continued efforts to strengthen its enduring cultural and spiritual connections with Mongolia, often regarded as India's spiritual neighbour in the larger Buddhist world. The Governor of Assam will depart on May 30, 2026, leading a delegation carrying the sacred relics with full ceremonial honours. During the exposition in Mongolia, devotees, monks, scholars and spiritual followers from across the country are expected to pay homage to the Holy Relics. The exposition is being viewed as a historic spiritual occasion and a symbol of the deep-rooted friendship and shared Buddhist heritage between the two nations. Governor Shri Acharya will return to India on June 3, 2026.

## GT defeated RR by seven wickets




RB News: GT defeated RR by seven wickets in IPL 2026 Qualifier 2 in New Chandigarh to reach their third final in IPL history. GT crushed RR in a high-scoring second qualifier at the PCA Stadium in Mullanpur. GT chased down 215-run target to record the highest-ever successful run chase in an IPL playoff match. GT captain Shubman Gill top-scored in the match with 104(53). GT will now face RCB in the final on Sunday.

## Vaibhav becomes 1st uncapped batter to score 700+ runs in an IPL season



RB News: Fifteen-year-old RR opener Vaibhav Sooryavanshi has become the first uncapped batter to score over 700 runs in an IPL season. He achieved the feat after scoring 96(47) during Qualifier 2 against GT. Suryavanshi has played 16 matches so far and has scored 776 runs. Sooryavanshi also became the fastest batter to score 1,000 runs in terms of balls faced in IPL history.Earlier, Sai Sudharsan from GT had the record, which he achieved when he was 23 years old, 227 days.

## PV Sindhu knocked out after quarterfinal loss to An Se Young



RB News:Two-time Olympic medallist PV Sindhu has been knocked out of the Singapore Open Super 750 badminton tournament after losing to world No. 1 An Se-young in the quarter-finals. The South Korean shuttler defeated Sindhu 21-17, 21-14 in just 48 minutes to progress to the tournament's semi-finals. This marked An Se-young's ninth straight victory over Sindhu in their head-to-head record.

## Rishabh Pant resigns as LSG captain



RB News: Rishabh Pant has resigned as LSG captain after the franchise finished last on the IPL 2026 points table. The IPL team confirmed on social media that Pant's request to give up the leadership role was accepted by the team management. LSG had a horrible run of form in IPL 2026 as they won just 4 matches and finished last with 8 points from 14 matches. Pant's performance as a batter was also not that impressive as he scored 312 runs in 14 matches at a strike rate of 138.05. LSG had bought Pant for 27 crore in IPL 2025 auction.

## India Women beat England by 38 runs




RB News: India Women registered their second-biggest victory by runs against England Women in T20I cricket on Thursday. India defeated England by 38 runs in the first T20I at Chelmsford, taking a 1-0 lead in the three-match series. Yastika Bhatia and Jemimah Rodrigues rescued India from 7/2 with a record 126-run partnership, setting up a total of 188/7. England's reply ended at 150/8 despite Amy Jones' 67. On debut, Nandni Sharma took 3/23 to derail England's chase after Amy Jones' fighting 67.

## WFI allows Vinesh to compete in 53kg category Asian Games trials



RB News: Former World Championships medallist Vinesh Phogat was on Saturday allowed to compete in the women's 53kg category at the Asian Games selection trials after the Wrestling Federation of India (WFI) reverse its earlier decision to restrict her participation to the 50kg division. During the official weigh-in, she was initially informed that she could compete only in the 50kg division. Vinesh objected to the decision, accusing the federation of discriminating against her.

# হেঁপাহৰ আবেলি



প্ৰান্তিক শৰ্মা,জাজৰি, নগাঁও

দিনটো অন্তহীন কৰ্মব্যস্ততাৰ পাছত
যেতিয়া আবেলিৰ কোমল ৰ'দটি
আকাশৰ বুকুত ধীৰে ধীৰে হেৰাই যায়
তেতিয়া ভাগৰুৱা মনটো অলপ
জিৰণি বিচাৰে ।
ক্লান্ত দুচকুত জমা হৈ থাকে
পোৱা নোপোৱাৰ বহু সপোন, বহু আশা ।
গধূলিৰ বতাহজাকে
দিনটোৰ সকলো কোলাহল ধুই নিয়ে,
আৰু হৃদয়খনত নীৰৱে পাখি মেলে
এটা অচিন হেঁপাহে ।
সেই হেঁপাহ -
আপোনজনৰ এষাৰি মাত শুনাৰ,
ঘৰমুৱা এপিয়লা চাহৰ সোৱাদ পোৱাৰ
আইৰ মৰমৰ স্পৰ্শ অনুভৱ কৰাৰ।
জীৱন যিমানেই ক্লান্ত হওঁক,
আবেলিৰ এই ক্ষনবোৰে শিকাই ।
আশা কেতিয়াও শেষ নহয় ।
গছৰ পাতত বতাহৰ সুৰ বাজে,
চৰাইবোৰে নিজ নিজ বাহলৈ
উভতিব খোজে ।
হেঁপাহৰ আবেলি মানে
মাত্ৰ সূৰ্যাস্ত নহয়,
ই জীৱনৰ এক কোমল অধ্যায়
য'ত ক্লান্তিৰ মাজতো
সপোনে পুনৰ মূৰ তুলি চাই,
হৃদয়খনে নীৰৱে কয় -
"আগলৈও পথ আছে,
আগলৈও পোহৰ আছে ।"

# ধপাতমুক্ত অসম সপোন নে বাস্তৱ



যোৱা ২৬মে'ত 'অসমীয়া প্ৰতিদিন'ত ৰাতুল মহন্তৰ 'ড্ৰাগছ -সুৰা-ধপাতমুক্ত অসম সপোন নে বাস্তৱ' পঢ়ি মনত বৰ বেজাৰ লাগিল। আমি যি সময়ত যোৰহাটত আছিলো, সেই সময়ৰ যোৰহাটক লৈ গৌৰৱ কৰিছিলো। মহন্তৰ লেখাটোত যোৰহাট নগৰৰ দুটামান কথাই মন চুই গ'ল । আমাৰ শৈশৱ, কৈশোৰ আৰু যৌৱনৰ এছোৱা সময় যোৰহাটত অতিবাহিত হৈছিল। তেতিয়াৰ যোৰহাট খনত মহন্তৰ লেখাটোত পোৱা যোৰহাট খন নাছিল। আমি দেখা **অঞ্জু শাণ্ডিল্য** যোৰহাট খনেই আজি আৰু নাই ।ৰাতুল মহন্তৰ লেখাটো পালো, "বাঘচোঙৰ নিচিনা গ্ৰাম্য এলেকাত একে ঠাইতে দুখনকৈ বিলাতী সুৰাৰ দোকান!"- এই বাক্যটো পঢ়ি আচৰিত হৈ পৰিছো। বাঘচোঙ নালাগে যোৰহাট নগৰৰ মাজ মজিয়া গড় আলিতো আমি থকা সময়ত একে ঠাইতে দুখনকৈ বিলাতী সুৰাৰ দোকান নাছিল। বহুত দূৰত্বৰ ব্যৱধানত এখনহে বিলাতী সুৰাৰ দোকান আছিল। বাঘচোঙৰ 'কিড ভেলী' স্কুলৰ কাষত বিলাতী সুৰাৰ দোকান থকা কথাই আৰু আচৰিত কৰিলে। যোৰহাটৰ নাগৰিক, অন্যান্য দল - সংগঠনেও স্কুলৰ কাষত বিলাতী সুৰাৰ দোকান দিয়াত প্ৰতিবাদ নকৰিলে কিয়?

মহন্ত দেৱৰ আৰু এটা বাক্যত মন ইচাট-বিচাট লাগিল -"গেলামালৰ দোকানৰ দৰে পদুলিয়ে পদুলিয়ে বিলাতী সুৰাৰ দোকানৰ বাবেই স্কুলীয়া লৰাৰ মুখতো সুৰাৰ গোন্ধ।" আমি যেতিয়া যোৰহাটৰ জেবি কলেজত পঢ়িছিলোঁ, তেতিয়া অফ পিৰিয়দত কলেজৰ গেটৰ পৰা বৰুৱা চাৰিআলিলৈকে কলেজীয়া ছাত্ৰসকলৰ জুম। কিন্তু সেইসকল কলেজীয়া ছাত্ৰৰ মুখত সুৰাৰ গোন্ধ বাদেই ধপাত-চিগাৰেটৰ গোন্ধো পাবলৈ নাছিল। সেইটো ৰাস্তাৰে কলেজৰ অধ্যাপক অধ্যাপিকা সকলেও অহা যোৱা কৰে।জানোচা চিগাৰেট ধঁপাত সেৱন কৰিলে তেখেত সকলে গোন্ধ পাই যাব ।আৰু সেই সময়ত ৰাজহুৱা স্থানত ধূমপান নিষিদ্ধ আছিল। সেইবোৰ কাৰণে আমাৰ মৰমৰ শিল্পী জুবিন গাৰ্গে গুৱাহাটীত ৰাজহুৱা স্থানত ধূমপান কৰা বাবে এজন স্কুলীয়া ছাত্ৰৰ মুখৰ পৰা জোৰেৰে চিগাৰেট টানি পেলাই দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। শিল্পী জনৰো শৈশৱ কৈশোৰ যোৰহাটত অতিবাহিত হৈছিল। আৰু পঢ়িছিল জেবি কলেজত। এজন যোৰহটীয়াৰূপে তেওঁ এই পদক্ষেপ লৈছিল।

সময় বাগৰাৰ লগে লগে যোৰহাটৰ পৰিৱেশ সলনি হৈছে ।নহলেনো কলা লৰাই দিন দুপৰতে যুৱক এজনক হত্যা কৰিব পাৰেনে! ড্ৰাগছ সুৰা আসক্ত হৈ যোৰহাটৰ কিশোৰ-যুৱকে কিমান অশালীন, অনৈতিক, কুটাঘাত মূলক কামকাজ কৰি আহিছে, সংবাদ মাধ্যমে প্ৰকাশ কৰি আছে। দুদিন মান আগতে সাংবাদিক-ঔপন্যাসিক গোবিন কুমাৰ খাউণ্ডে সামাজিক মাধ্যমত এক বাৰ্তা প্ৰেৰণ কৰিছিল যে যোৰহাটৰ মালৌ আলিত এখন সুৰাৰ দোকান দিয়াৰ যো-জা চলিছে। প্ৰশাসনৰ ফালৰপৰা জাননী দিয়া হৈছিল, কোনোবাই সেইখন ঠাইত সুৰাৰ দোকান দিয়াত আপত্তি থাকিলে জনাই দিব পাৰে । আচৰিত কথা জাননীখন ঢাকি থোৱা আছে।যোৰহাট নগৰৰ সমীপৱৰ্তী এই অঞ্চল জনবসতি পূৰ্ণ এলেকা। স্থানীয় ৰাইজে সেইখন ঠাইত বিলাতী সুৰাৰ দোকান দিয়াত আপত্তি কৰাত বিলাতী সুৰাৰ দোকান খন দিব নোৱাৰা যেন অৱস্থা হৈছে । যোৰহাটৰ বিভিন্ন ঠাইৰ ৰাইজে আকৌ নতুনকৈ বিলাতী সুৰাৰ দোকান দিয়াত আপত্তি কৰে, নৱপ্ৰজন্ম ৰক্ষা পৰিব । শেষত মহন্তৰ বাক্যটো আছিল-"এতিয়া অসমত ধঁপাত জাতীয় সামগ্ৰী, সুৰা আৰু ড্ৰাগছৰ মুকলি বেহা সম্পূৰ্ণ বন্ধ কৰি ডক্টৰ শৰ্মাই জনসাধাৰণক 'উচপ খুৱাব' পাৰিলে তেওঁ 'আমুৱাই যোৱাকৈ' জনপ্ৰিয়তা লাভ কৰিব সেইটো নিশ্চিত ।"

অণুগল্প

# মাইলৰ খুঁটি



অৰবিন্দ পাঠক, কলাকুছি (পানীটেমা)কামৰূপ

দত্তই শৰ্মাক সুধিলে,
" হেৰি হে শৰ্মা, মানুহবোৰে জন্মদিন কিয় পাতে?"
" ধেৎ বুৰ্বক, তই সেইটোও বুজি নেপাৰ নেকি ? গড়কপ্তানী বিভাগৰ মহৰি বোৰে যে পথটো জুখি জুখি মাইলৰ খুঁটি পুতি থৈ যায়, ঠিক সেইদৰে কিছুমান মানুহেও জীৱনৰ পথটো জুখি মাখি থৈ আগুৱাই গৈ থাকে।"

# শিশুৰ ব্যক্তিত্ব গঠনত পিতৃ-মাতৃৰ

পৰিয়াল প্ৰথা বিলুপ্ত হৈ একক পৰিয়ালৰ সংখ্যা বৃদ্ধি পোৱাৰ বাবে ঘৰখনত শিশুসকলক সংগ দিবলৈ ককা-আইতা বা আন কোনো আত্মীয়ও নাথাকে। সেয়ে বহু সময়ত পিতৃ-মাতৃয়ে নিজৰ ব্যস্ততাৰ বাবে বা সন্তানক শান্ত কৰিবলৈ তেওঁলোকৰ হাতত ম'বাইল, কম্পিউটাৰ আদি তুলি দিয়ে, যিয়ে পৰৱৰ্তী সময়ত আসক্তিৰ ৰূপ লয়। এনে ক্ষেত্ৰত একেখন ঘৰতে থাকিও পিতৃ-মাতৃৰ সন্তানৰ সৈতে থকা আৱেগিক দূৰত্ব ক্ৰমান্বয়ে বাঢ়ি যায়। তদুপৰি বৰ্তমানৰ চৰম প্ৰতিযোগিতা-মূলক শিক্ষাব্যৱস্থাত নৈতিকতাৰ জ্ঞানতকৈ অধিক নম্বৰ লাভ কৰাৰ অন্ধ দৌৰ আৰু আনৰ সন্তানৰ সৈতে নিজৰ সন্তানক তুলনা কৰাৰ মানসিকতা গঢ় লৈ উঠিছে, যিয়ে শিশুৰ স্বাভাৱিক সৃষ্টিশীলতা আৰু প্ৰতিভাক মষিমূৰ কৰি পেলাইছে। শিশুসকলক প্ৰযুক্তি আৰু সামাজিক মাধ্যমৰ নেতিবাচক প্ৰভাৱৰ পৰা মুক্ত কৰি এক সুস্থ ব্যক্তিত্ব প্ৰদান কৰাৰ বাবে পিতৃ মাতৃয়ে ম'বাইল বা টিভি ব্যৱহাৰৰ এক নিৰ্দিষ্ট সময়সীমা বান্ধি দিয়াটো উচিত। তদুপৰি ইতিবাচক অনুশাসনৰ জৰিয়তে সন্তানক প্ৰযুক্তিৰ সঠিক ব্যৱহাৰ শিকোৱাটো আৱশ্যক। সন্তানৰ ম'বাইলৰ আসক্তি কমাবলৈ তেওঁলোকক ঘৰৰ সৰু-সুৰা কাম কৰোৱা, যেনে- ফুলত পানী দিয়া বা পাকঘৰৰ সৰু সৰু কামত নিয়োজিত কৰাৰ লগতে আবেলি সময়ত সমনীয়াৰ সৈতে মুকলি পথাৰত শাৰীৰিক ক্ৰীড়া কৰিবলৈ উৎসাহিত কৰিব লাগে। কাৰণ ক্ৰীড়াই শিশু এজনৰ সামগ্ৰিক বিকাশ সাধন কৰি তেওঁলোকক জীৱনৰ বাবে সাজু কৰে। খেলা-ধূলাই শিশুৰ মাংসপেশী মজবুত কৰে, ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়ায় আৰু ম'বাইল, ছ'চিয়েল মিডিয়াৰ নিচাৰ দূৰ কৰি শৰীৰ সুস্থ ৰাখে।

আগলৈ...

ৰঙিলী বাৰ্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286